বাৰাকাতুত দোৱা
(দোৱাৰ কল্যাণসমূহ)

অনুবাদক
আব্দুল কাদিৰ মুৱাল্লিম ছিলছিলা

নাম কিতাপ : বাৰাকাতুত দোৱা (দোৱাৰ কল্যাণ)
অনুবাদক : আব্দুল কাদিৰ মুৱাল্লিম ছিলছিলা
মূল কিতাপ : বাৰাকাতুত দোৱা
লিখক : হজৰত মির্জা গোলাম আহমদ কাদিয়ানী (আঃ)
প্ৰথম প্ৰকাশক : ২০২০, ১০০০ কপি
প্ৰকাশক : নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান
মুদ্ৰণে : ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান,
জিলা গুৰদাছপুৰ,পিন ১৪৩৫১৬ (পঞ্জাৱ)

Name Book : Barakatut Dua (Duar Kallan)
Translated by : Abdul Qadir Muallim Silsila
Original Book : Barakatut Dua
Author : Hazrat Mirza Ghulam Ahmed Qadiani
First Published : 2020, 1000 Copies
Published by : Nazarat Nashor-O-Ishaat Qadian
Printed at : Fazle Umar Printing Press Qadian,Dist.Gurdaspur Pin 143516 (Punjab)

প্ৰকাশকৰ কথা

হজৰত মছীহ মাওউদ (আঃ)ৰ লিখিত পুস্তক বাৰাকাতুত দুৰা অসমীয়ালৈ অনুবাদ কৰিছে মাননীয় আব্দুল কাদিৰ মুৰাল্লিম ছিলছিলা আৰু কমপোজিং কৰিছে মাননীয়া ৰেজিয়া খাতুন **B.Sc** য়ে,আৰু **Review** কৰিছে মাননীয় আমান আলী চাহাব মুবাল্লিগ ছিলছিলা (সভাপতি **Review** কমিটি অসম) মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক),মাননীয় ৰহিম বাদশ্বাহ চাহাব মুবাল্লিগ ছিলছিলা,মাননীয় নাজিমুদ্দিন মোল্লা চাহাব মুবাল্লিগ ছিলছিলা। **Review** হোৱাৰ পিছত মাননীয় মজিবৰ ৰহমান চাহাবে চালি-জাৰি চাই অত্যাৰশ্যকীয় শুধৰণী কৰিছে। আল্লাহ তা'লা কিতাপখন প্ৰস্তুত কৰি উলিওৱাতে সহায় সহযোগীতা আগবঢ়োৱা সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। আমিন

নাজিৰ নশ্বৰ ইশ্বায়ত কাদিয়ান

বাৰাকাতুত দুৰা
(দোৱাৰ কল্যাণসমূহ)

মই উপৰোক্ত সংবাদ পত্ৰিকাটোত ১৮৯৩ খ্ৰীষ্টাব্দৰ ২৫ মাৰ্চ তাৰিখৰ সংখ্যাটো পাইছোঁ।ইয়াত পণ্ডিত লেখৰাম পেশ্বাৰৰীৰ মৃত্যু সম্পৰ্কত মোৰ ভৱিষ্যৎবাণীৰ সমালোচনা উল্লেখ আছে। মই জানিব পাৰিলোঁ যে আল্লাহৰ ফালৰ পৰা প্ৰাপ্ত ভৱিষ্যৎবাণীক মোৰ ফালৰ পৰা প্ৰকাশ কৰাৰ কাৰণে অন্যান্য সংবাদ পত্ৰও মৰ্মাহত হৈছে।

ইয়াত মই নথে আনন্দিত হৈছো যে,যি সকলে মোৰ শত্ৰু সিহঁতেই মোৰ ভৱিষ্যৎবাণী প্ৰচাৰ কৰি আছে। প্ৰতিউত্তৰত মই সিহঁতক ক'ব বিচাৰো।মই যি কৈছো আৰু লিখিছোঁ সেয়া আল্লাহ তা'লাৰ ইচ্ছা অনুসৰি কৈছো আৰু লিখিছো,নতুবা ইয়াৰ লগত মোৰ কোনো সম্পৰ্ক নাই। কিন্তু যেতিয়া কোৱা হয়,এনে ধৰণৰ ভৱিষৎবাণীয়ে কোনো উদ্দেশ্য সাধন কৰিব নোৱাৰিব এনেকি এই ভৱিষ্যৎবাণীৰ পৰিপূৰ্ণতা সম্বন্ধে সন্দেহ থাকিয়ে যাব।এতিয়া মই ক'বলৈ বাধ্য যে এই সকলোবোৰ সময় এতিয়াও অহা নাই,মই আগতেই স্বীকাৰ কৰিছোঁ আৰু এতিয়াও স্বীকাৰ কৰি আছো যে যদি এই ভৱিষ্যৎবাণীৰ ফলাফল এনেকুৱা হয় যে সাধাৰণ জ্বৰ হ'ল বা সাধাৰণ বিষ-বেদনা হ'ল নাইবা কলেৰা হৈ আৰোগ্য লাভ কৰিলে,তেন্তে মোৰ ভৱিষ্যৎবাণী ভাৱিষ্যৎবাণী বুলি পৰিলক্ষিত নহয়,বৰং এইটো নিঃসন্দেহ এক ধৰণৰ প্ৰতাৰণাৰ প্ৰচেষ্টা বুলি গন্য হ'ব।এনে ধৰণৰ সৰু-সুৰা অসুখ-বিসুখ হৈয়ে থাকে। কোনেও এইবোৰৰ পৰা মুক্ত নহয়।

এনে ক্ষেত্ৰত মই যি শাস্তিৰ কথা গ্ৰহণ কৰিবলৈ উল্লেখ কৰিছোঁ সেই শাস্তি গ্ৰহণ কৰিবলৈ বাধ্য হম।কিন্তু মোৰ ভৱিষ্যৎবাণী যদি এনে ধৰণৰ বৈশিষ্টৰ সৈতে পৰিপূৰ্ণ হয়,সেয়া দেখিলে খোদা তায়লাৰ শাস্তি যেন মনত পৰে, কেৱল তেতিয়াই এই ভৱিষ্যৎবাণীক খোদাৰ ফালৰ পৰা আগতীয়া বুলি বুজিব লাগিব।সঠিক এয়া যে ভৱিষ্যৎবাণীৰ নিজস্ব মৰ্যদা আৰু হেয়বতৰ দিন আৰু সময় নিৰ্ধাৰণ কৰাৰ ওপৰত নিৰ্ভৰ নকৰে। বৰং এইটোই যথেষ্ট যে ঘটনাৰ কাৰণে এটা সময় সীমা নিৰ্ধাৰণ কৰা হৈছে । এই নিৰ্ধাৰণ সময়ৰ ভিতৰত এই ভৱিষ্যৎবাণী যদি এনেদৰে

পূৰণ হয়,তেন্তে সকলোৰ মনত ভয় আৰু বিষ্ময়ৰ সঞ্চাৰ কৰে তেনেহলে এইটোয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰি সন্দেহ আৰু সমালোচনাসমূহ এতিয়ালৈকে যিবোৰ প্ৰকাশ কৰা হৈছে সেয়া আঁতৰ হৈ যাব,আৰু ন্যায়পৰায়ণ লোকসকল লাজুকীয়া হৈ সিহঁতৰ সন্দেহসমূহ বাতিল কৰিব।

এটা কথা মনত ৰখা উচিত যে মই এজন অধম মানুহ বেলেগৰ দৰে মইয়ো প্ৰাকৃতিক নিয়মৰ অধিনস্থ। মই যদি সাম্ভব্য ৰোগ, শোক,ঘটনা ইত্যাদি ভৱিষ্যৎবাণী কৰিব পাৰো সংশ্লিষ্ট ব্যক্তিও অনুৰূপ ভাৱে মোৰ সম্বন্ধে ভৱিষ্যৎবাণী কৰিব পাৰে। মই মোৰ ভৱিষ্যৎবাণীত মাত্ৰ ৬ বছৰ সময় নিৰূপন কৰিছোঁ। সিহঁতৰ ভৱিষ্যৎবাণীত ১০ বছৰ সময় সীমা নিৰ্ধাৰণ কৰিলেও মই মানি লম।লেখৰামৰ বয়স এতিয়া ৩০ বছৰৰ বেছি নহয়। তেওঁ গাভৰু,শকত আৰু সুঠাম দেহৰ অধিকাৰী আৰু তেওঁৰ শাৰীৰিক অৱস্থা বৰ ভাল। আৰু মই পঞ্চাচ বছৰৰ এজন দুৰ্বল মানুহ। বহু দিনৰ পৰা বিভিন্ন ৰোগত ভুগি আছো। এই স্বাভাৱিক পাৰ্থক্যবোৰ থকা সত্বেও যাৰ প্ৰতিটো প্ৰতিপক্ষৰ অধীনত আছে সেয়া পৰিষ্কাৰ ভাৱে ফুটি উঠিব যে কাৰ ভৱিষ্যৎবাণী মানুহৰ ফালৰ পৰা আৰু কাৰ ভৱিষ্যৎবাণী খোদাৰ ফালৰ পৰা এয়া স্পষ্ট বুজিব পৰা যাব।

সমালোচক মহোদয়ে কৈছে,এইবোৰ ভৱিষ্যৎবাণী আজিকালি সিমান গুৰুত্বপূৰ্ণ নহয়। এনেদৰে কোৰাটো আজিকালি সাধাৰণ ৰীতি হৈ পৰিছে। কিন্তু মোৰ ওচৰত এয়া সঁচা যেন মনত হয় যে আজিকালি মানুহৰ মাজত বৰকৈ গুৰুত্বপূৰ্ণ ও লাগতীয়াল সত্যসমূহ গ্ৰহণ কৰিবৰ ইচ্ছা আকাঙ্খা জাগি উঠিছে।যিটো অতীতৰ মানুহৰ মাজত আজিৰ তুলনাত নগন্য আছিল। পাৰ্থক্য কেৱলমাত্ৰ এইটো যে আজিকালি মানুহৰ ওচৰত প্ৰতাৰণা ইমান সহজতে আশ্ৰয় নাপায়। আৰু প্ৰতাৰণা কৰি সহজতে অতিক্ৰম হোৱা নাযায়।সাধু আৰু সত্য দাবী কৰোঁতা সকলৰ কাৰণে এয়া ভাল লক্ষণ। যি সকলে সঁচা আৰু মিছাৰ মাজত পাৰ্থক্য কৰিব পাৰে,তেখেতৰ ভিতৰত বহু এনেকুৱা আছে,যিসকলে সত্যক নিজৰ হৃদয়ৰে ভাল পায়। তেখেত সত্য পোৱা মাত্ৰই সেই ফালে অগ্ৰসৰ হয় আৰু তাক মানি লয়। সত্যই নিজৰ মাজত এক প্ৰকাৰ আকৰ্ষণীয় শক্তি ৰাখে। যাৰ ফলশ্ৰুতিত মানুহে ইয়াক গ্ৰহণ কৰিবলৈ বাধ্য হয়।আমি যিসময়ত বাস কৰি আছো,সেই সময়ক দোষাৰূপ কৰাটো ভুল।এনেকোৱা শত শত বস্তু যিবোৰক আমাৰ পূৰ্বপুৰুষসকলে সত্য

বুলি মন কৰা নাছিল। আজি সেইবোৰক সত্য বুলি জ্ঞান কৰা হৈছে। এই পৰিৱৰ্তন এই কাৰণে সম্ভৱ হৈ উঠিছে,যিহেতু সত্য উপনীত হোৱাৰ বাবে মানুহৰ মাজত ব্যকুলতাৰ তৃষ্ণা জন্ম লৈছে। যি সত্য শকত ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত সেয়া মানুহে ভাল পায় ঘৃণা নকৰে। মানুহ আজিকালি বৰ দক্ষতাপূৰ্ণ ও চতুৰ হৈ গৈছে আৰু সহজ ও সৰল মানুহৰ পুৰণি যুগ পাৰ হৈ অতীতৰ ঢাকনিত গৈ পৰিছে। এনেকুৱা কথা বৰ্তমান সময়ক অপমানীত কৰাৰ বাদে আৰু একো নহয়।বৰ্তমান সময় ইমান দুৰ্বল নে যে,কোনো সত্য সঠিক ভাৱে প্ৰমাণীত হোৱাৰ পাছতও মানুহে তাক সত্য ও সঁচা বুলি নামানিবনে? নহয়! নহয়! এনেধৰণৰ কথা মই ক'ব নোৱাৰো। কিয়নো মই দেখিছোঁ যে শিক্ষিত আৰু বিশেষজ্ঞই অধিক সংখ্যাই মোৰ ওচৰত আহে আৰু উপকৃত হয়। এইসকলৰ ভিতৰত বেছি সংখ্যক বি.এ,এম.এ পাছ্। এই নতুল শিক্ষিত সকলৰ মধ্য মই সত্য গ্ৰহণৰ বিশেষ আগ্ৰহ আৰু উদ্দীপনা এনেকি উৎসা লক্ষ্য কৰিছোঁ। ইয়াৰ পাছত মাদ্ৰাছাত বসবাস কৰা ইউৰোশিয়ান নামৰ এটা ইংৰাজ সম্প্ৰদায় যিসকলে ইছলাম গ্ৰহণ কৰিছিল। সিহঁতে আমাৰ বিশ্বাসসমূহ গ্ৰহণযোগ্য বুলি ভাৰি আমাৰ জমাতত যোগদান কৰিছে।

মোৰ মনত হয় মই যি কৈছো সেয়া খোদা ভীৰু লোকৰ পক্ষে বুজিবৰ কাৰণে যথেষ্ট। আৰ্যসমাজে মোৰ বক্তব্যৰ ওপৰত সাধাৰণ ভাৱে যেনেকুৱা ইচ্ছা সমালোচনা কৰক; এতিয়া সঠিক সময়ত মোৰ ভৰিষ্যৎবাণীৰ প্ৰশংসা কৰা, আৰু সমালোচনা কৰা উভয়টো সহজ। যদি এই ভৱিষ্যৎবাণী ঐশ্বৰিক হৈ থাকে যেনেকুৱা মই ঐশ্বৰিক হোৱা নিশ্চিত বুলি জানো।তেন্তে এইটো মানুহৰ হৃদয়ত পোহৰৰ সৃষ্টি কৰিবই। আৰু যদি ঐশ্বৰিক নহয় তেন্তে এইটো মোৰ বাবে নিশ্চয় অপমান বহন কৰি আনিব।আৰু সেই অপমানক অনৰ্থক আপত্তি কৰি লুকাবৰ চেষ্টা কৰিলে সেয়া আৰু বেছিকৈ বৃদ্ধি পাব।চিৰঞ্জীৱ আল্লাহ মহা পৱিত্ৰ আৰু মহামণ্ডিত আল্লাহ যাৰ অধিনস্থ সকলো আছে।সেইজন ভণ্ডক কেতিয়াও সন্মান নকৰিব।

লেখৰাম পেশাৱৰীৰ প্ৰতি মোৰ কোনো ব্যক্তিগত ঘৃণা আছে বুলি মনত কৰা নিতান্ত ভুল। কোনোবাৰ প্ৰতি মোৰ কোনো ধৰণৰ ঘৃণা নাই।লেখৰাম জলন্ত সত্যৰ প্ৰতি শত্ৰুতা দেখুৱাইছে। আধ্যাত্মিক শক্তিৰ মহা উৎস সেই পূৰ্ণ আৰু পৱিত্ৰ মহা মানৱ (ছাঃ)ক তেওঁ আক্ৰমণ আৰু অপমান কৰিছে।সেই কাৰণে

আল্লাহ তেখেতৰ গভীৰ ভালপোৱা আৰু প্ৰেমৰ পাত্ৰ মহানবী (ছাঃ)ৰ সন্মান প্ৰতিষ্ঠা কৰি দেখুৱাবৰ কাৰণে এই পৰিকল্পনা গ্ৰহণ কৰিছে।যিসকলে সত্যক অনুমান কৰে।তেখেতৰ ওপৰত শান্তি অৱতীৰ্ণ হওক।

শ্বেৰ ছৈয়দ আহমদ খান কেচি-এচ আই য়ে প্ৰদান কৰা ৰচিত কিতাপ
“ আদ্দোৰা ওৱাল ইজতিজাবা”তাহৰিয়ৰ ফি উচুলিয়ত তফছিৰ

-ঃসমীক্ষা ঃ-

নিজৰ বিশেষ যুক্তিৰ দ্বাৰা কাৰাঘৰত আৱদ্ধ বন্দী তুমি সমৰ্থৰ নকৰিবা গৌৰৱ;

আশ্চৰ্য এই গম্ভুজৰ তলত তবজব কৰি বহুত জনে অতীতত পোৱা নাই ঠাই। সঠিক ভাৱে আল্লাহক চিহ্নিত নকৰি ঐশ্বৰিক ভৱনত প্ৰৱেশৰ চেষ্টা কৰা কোন সাহসত ?

ঐশ্বৰিক গোপন ভেদ প্ৰকাশ হয় মাথোন তেওঁৰ ওচৰত যিজনা খোদাৰ ফালৰ পৰা আহে।

কোৰাণৰ মৰ্ম স্পৰ্শ নিজে নিজে কৰা
এনেকুৱা চিন্তা নকৰিব ব্যৰ্থ অনৰ্থক
নিজৰ ফালৰ পৰা যিজনে অৰ্থ কৰি লয়;
পুতিগন্দ মৃত্যু পঁচা সেয়া অৰুচক।

ছৈয়দ চাহাবে উপৰোক্ত বৰ্ণনাত তেখেতৰ কিতাপত দোৰা সম্বন্ধে নিজৰ ধৰ্মীয় বিশ্বাস এনেদৰে উল্লেখ কৰিছে যে দোৰা গ্ৰহণ হোৱাৰ অৰ্থ এইটো নহয় যে দোৰাত যি বিচৰা হৈছে সেয়াই আক্ষৰিক ভাৱে পোৱা যাব। কাৰণ দোৱাৰ মাজত যি খুজি থকা হয় বা বিচৰা হয় যদি বাস্তৱিকতে সেই বস্তুই গ্ৰহণ হৈ যায় তেন্তে দুটা অসুবিধাৰ সৃষ্টি হয়।(১) হাজাৰ হাজাৰ বিনম্ৰ প্ৰাৰ্থনা যি বৰকৈ অসহায় ও নিৰুপায় অৱস্থাত কৰি থকা হয় সেয়াও গৃহীত নহয় আৰু পাৰ্থিৱত পূৰ্ণও নহয়। ইয়াৰ দ্বাৰা বুজা যায় যে দোৰা গ্ৰহণ কৰা হোৱা নাই বা গৃহীত হোৱা নাই। (২) যিবোৰ নিৰ্ধাৰণ হৈ আছে সেয়া পূৰ্বত নিৰ্ধাৰিত ঘটনাৰ বাহিৰত তাৰ বিপৰীত ঘটনা সংগঠিত হোৱা সম্ভৱ নহয়, দোৰা গৃহীত হোৱাৰ অৰ্থ যদি পাৰ্থিৱ ও আকস্মিক বস্তু

পোৱাক বুজায় তেনেহলে খোদা তায়লাৰ প্ৰতিশ্ৰুতি ادْعُوْنِيْٓ اَسْتَجِبْ لَكُمْ অৰ্থাৎ মোৰ ওচৰত প্ৰাৰ্থনা কৰা নিশ্চয় মই উত্তৰ দিম। (৪০: ৬১) সেইবোৰ দোৱাৰ ক্ষেত্ৰত প্ৰয়োজন নহ'ব য'ত তকদিৰৰ লিখনি এনেকুৰাই হ'বই সেয়া নিৰ্ধাৰিত নহয়।ইয়াৰ পৰিপেক্ষিতত দোৱা গৃহীত হোৱাৰ এই সাধাৰণ প্ৰতিশ্ৰুতি বাতিল হৈ যায়।কিয়নো দোৱাৰ সেই অংশবোৰ গ্ৰহণ হয় যিবোৰ গ্ৰহণ হোৱাৰ পূৰ্বৰ পৰাই নিৰ্ধাৰিত আছিল। কিন্তু আল্লাহ তা'লাৰ অঙ্গীকাৰ অনুসৰি সকলোবোৰ দোৱা কোনো ধৰণৰ ব্যতিক্ৰম নোহোৱাকৈ সকলোবোৰ দোৱা গ্ৰহণ হোৱাটো নিশ্চিত। অথচ এফালে কোৰাণৰ এনেকুৰা কিছুমান আয়াত পোৱা যায় য'ত কোৱা হৈছে যিবোৰ নঘটিবৰ বাবে স্থিৰ হৈ আছে, সেয়া কেতিয়াও সংগঠিত নহ'ব। আনফালে কিছুমান আয়াতৰ জৰিয়তে সাব্যস্ত হয় যে কোনো দোৱা প্ৰত্যাখান কৰা নহয়। সকলোবোৰ দোৱা গ্ৰহণ কৰা হয়। কেৱল মাত্ৰ এয়াই নহয় বৰং খোদা তা'লা সকলো ধৰণৰ প্ৰাৰ্থনা গ্ৰহণ কৰাৰ অঙ্গীকাৰ দিছে বুলিও সাব্যস্ত হয় বা প্ৰমাণীত হয় যেনে: খোদা তা'লা কৈছে, মোৰ ওচৰত প্ৰাৰ্থনা কৰা ,নিশ্চয় মই গ্ৰহণ কৰিম।কিন্তু এই আয়াতসমূহত পৰস্পৰ বিৰোধীতা দেখিবলৈ পোৱা যায় এই পৰস্পৰ বিৰোধীতাৰ পৰা হাতসাৰিবলৈ এটা উপায় আছে।সেয়া এই যে দোৱাক এবাদত ৰূপে গ্ৰহণ কৰা। দোৱা গ্ৰহণ কৰাৰ অৰ্থ হ'ল যে আল্লাহ তা'লা ইয়াক নিচুক এবাদত হিচাপে গ্ৰহণ কৰি লয়। অৰ্থাৎ দোৱা এবাদতৰ বাহিৰে বেলেগ কিছু নহয়। যদি এই দোৱাৰ কাম ও কৰ্ম অতিকৈ নম্ৰতা দ্বীনতা ,আত্মবিনিষ্ঠ সহকাৰে সম্পূৰ্ণ কৰা হয়, তেন্তে আল্লাহৰ প্ৰতিশ্ৰুতি অনুসৰি এয়া এবাদত ৰূপে গ্ৰহণ হ'ব।এনেকি এই উপাসনাৰ কাৰণে আধ্যাত্মিক পুৰস্কাৰ লাভ কৰিব পাৰিব। সেয়েহ যি প্ৰাপ্তি ঘটিব বুলি পূৰ্বৰ পৰা নিৰ্ধাৰণ হৈ আছে, যদি সেয়াই ঘটনাক্ৰমে দোৱাৰ মাধ্যমেৰে বিচৰা হয়,তেন্তে পোনপোটীয়াকৈ বা আক্ষৰিক ভাৱে দোৱা গ্ৰহণ হয়। দোৱাৰ মাজত এনেকুৰা মঙ্গল নিহিত হৈ আছে যে দোৱা খোদাৰ মহাত্মা ও মহা শক্তি অনুভৱ কৰিবলৈ সাহায্য কৰি থাকে।হৃদয়ৰ এনেকুৰা ভাৱ গভীৰ প্ৰশান্ত সক্ৰীয় হৈ অসহায়তা আৰু ব্যাকুলতাৰ মনভাৱ আঁতৰ কৰে।খোদা নিৰ্ভৰ ধৈৰ্য্য আৰু কবুলিয়তাৰ ভাৱ জগাই মনত প্ৰশান্তি দিয়ে।

মনৰ এই প্ৰশান্তিৰ অৱস্থা আচলতে ভক্তি বিনয়ীৰ ফল। আৰু ইয়াৰ নাম

হ'ল কবুলিয়তে দোৱা। সেয়ে ছৈয়দ চাহাব তেখেতৰ পুস্তকত কয় যে দোৱাৰ প্ৰকৃত তাৎপৰ্য সম্বন্ধে যিসকলে অজ্ঞ আৰু যিয়ে দোৱাৰ অন্ত নিহিত ভেদ সম্বন্ধে অৱগত নহয় সিহঁতে প্ৰশ্ন কৰিব যে যিটো নহ'ব বা নোহোৱা বুলি নিৰ্ধাৰিত হৈ আছে সেইটো কোনো প্ৰকাৰেই কেতিয়াও নহ'ব।যদি এইটোৰ কাৰণে এনেকুৱা হয় তেনেহলে দোৱা কৰাৰ লাভ নো কি ? যি হ'বলগীয়া সেয়া হ'বই আৰু যিটো নোহোৱা নিৰ্ধাৰিত সেয়া কেতিয়াও নহ'ব।তেনহলে দোৱা বা প্ৰাৰ্থনা কৰা অনৰ্থক কাম নহ'বনে ? এই প্ৰশ্নৰ প্ৰতিউত্তৰত ছৈয়দ চাহাবে কয় যে অসহায় অৱস্থাত সাহায্যৰ কাৰণে দোৱা কৰা মানুহৰ স্বভাৱগত বৈশিষ্ট। গতিকে মানুহে স্বভাৱৰ চাহিদা পুৰনাৰ্থে দোৱা কৰে।বৰং দোৱা গ্ৰহণ হ'ব নে নহ'ব সেয়া ভৱাচিন্তা নকৰাকৈ মানুহে দোৱা কৰি থাকে, সিহঁতৰ স্বভাৱে বৈশিষ্টৰ চাহিদা অনুসৰি তেখেতক কেৱলমাত্ৰ খোদাৰ ওচৰত দোৱাকাৰীতা বুলি কোৱা হৈছে।

ছৈয়দ চাহাবৰ উক্ত সাৰাংশ মই যি বৰ্ণনা কৰিছোঁ তাৰ পৰা স্পষ্ট বুজা যায় যে ছৈয়দ চাহাবৰ মতে প্ৰাৰ্থনা বা দোৱা উচ্চমাৰ্গ লাভৰ কোনো কাৰ্যকৰী উপায় নহয়।উদ্দেশ্য পূৰ্ণ কৰিবৰ ক্ষেত্ৰত দোৱাৰ কোনো ভূমিকা বা প্ৰভাৱ নাই। যদি কোনো দোৱা কৰোঁতা দোৱাৰ জৰিয়তে কোনো উচ্চমাৰ্গৰ লক্ষ্য অৰ্জন কৰিব খোজে তেনেহলে তেওঁ অনৰ্থক দোৱা কৰে,কিয়নো যি হ'বলগীয়া সেয়া হ'বই এনেকি দোৱা নকৰাকৈই হ'ব। আৰু যিটো নোহোৱা সেইটোৰ কাৰণে বিনম্ৰতাৰে তাৰ একান্তচিত্তে দোৱা কৰিলেও নহ'ব।মুঠ কথা হ'ল ছৈয়দ চাহাবৰ বক্তব্যৰ পৰা এয়া স্পষ্ট হৈ যায় যে দোৱা কৰাটো উপাসনাৰ এটা পদ্ধতি মাথোন।দোৱাৰ জৰিয়তে অভিষ্ট সিদ্ধিৰ চিন্তা কৰাটো একেবাৰেই অবাস্তৱ।উল্লেখ আছে যে ছৈয়দ চাহাব কোৰাণ শ্বৰিফৰ যি আয়াতসমূহ উল্লেখ কৰিছে।সেইবোৰৰ তাৎপৰ্য্য বুজিবলৈ ভুল কৰিছে।মোৰ প্ৰবন্ধৰ শেষাংশত ইনশা আল্লাহ সেই ভ্ৰমৰ সংশোধন কৰিম। ইয়াত মই দুঃখৰ সৈতে কেৱল মাথোন ইমানখিনি ক'ব বিচাৰো যে ছৈয়দ চাহাব কোৰাণৰ আয়াতৰ তাৎপৰ্য্য বুজিবৰ ভুল নকৰিবও পাৰে; কিন্তু এই বিষয় বস্তুৰ লগত প্ৰাকৃতিৰ বিধান যে ওত পোঃত ভাৱে জড়িত হৈ আছে।এই ৰচনা লিখাৰ সময়ত সেই কথা তেওঁ কেনেকৈ পাহৰি গ'ল।তেওঁ এই প্ৰাকৃতিক বিধানৰ কথা সদায় উচ্চাৰণ কৰি থাকে। এনেকি সি এইটোও মনত কৰে যে প্ৰাকৃতিক বিধানৰ জৰিয়তে আল্লাহ তা'লা উদ্দেশ্য কাৰ্য্যত জ্ঞাত হ'ব পৰা যায়। আৰু আল্লাহৰ পৱিত্ৰ

কিতাপৰ অন্তনিহিত তত্ত্বৰ তাৎপৰ্য্য অনুভৱ কৰিবলৈ প্ৰাকৃতিক নিয়মাৱলীক তেওঁ সাক্ষী হিচাপে গন্য কৰে। ছৈয়দ চাহাবে এয়া নিশ্চয় জানে যে যদিও এক কথাত সুফল-কুফল আদি পূৰ্বৰ পৰাই নিৰ্ধাৰিত তদুপৰি প্ৰাকৃতিক তত্ত্বৰ উপায় আৰু উপকৰণৰ জৰিয়তেই আমি সেই সুফল-কুফল পৰ্যন্ত পৌছাব পাৰো। আৰু এই উপায় উপকৰণৰ আৰু নিয়ম প্ৰণালীৰ পদ্ধতি অৱলম্বনৰ যতাৰ্থতা সম্বন্ধে কোনো বুদ্ধিমান লোক সন্দেহ পোষণ নকৰে। উদাহৰণ স্বৰূপে ক'ব পৰা যায়,যি হ'বলগীয়া সেয়া হ'বই। এই ধৰণৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ গৈ ঔষধ প্ৰয়োগ কৰা নকৰা যেনেদৰে আৰোগ্যৰ বাবে দোৱা কৰা বা নকৰা ঠিক একেই।সেই বুলি ছৈয়দ চাহাবে এই কথাও ক'বনে যে ঔষধ বিজ্ঞান মিছা সৰ্বজ্ঞ সৰ্বজ্ঞানী আল্লাহ তা'লা ঔষধৰ ভিতৰত কোনো গুণাৱলী ৰখা নাই নে ? ছৈয়দ চাহাব তকদিৰ বিশ্বাসী সেয়া সত্ত্বেও তেওঁ ঔষধৰ নিৰাময় ক্ৰীয়াও বিশ্বাস কৰে সেয়া সত্ত্বেও আল্লাহৰ বিধানৰ এই দুটা সাদৃশ্য অংশৰ মাজত তেওঁ কিয় পাৰ্থক্য কৰে।এই দুয়োটা সমসাময়িক নহয়নে ?

ছৈয়দ চাহাবে এয়া মনত কৰেনে যে আল্লাহ তা'লা ট্ৰেপিথাম, স্কামোনীয়া,ছিনা,আৰু ক্ৰোটন বীজত কোষ্ঠ পৰিষ্কাৰৰ ক্ষমতা আৰু উপকৰণ ৰাখিছে।আৰ্চেনিক,একোনাইট আৰু অন্যান্য বিষৰ মাজত মৃত্যুৰ উপকৰণ ৰাখিছে।যিটোক অতি বেছি খালে কেই মিনিটত মৃত্যু হৈ যাব পাৰে।সেই খোদা তা'লাৰ কোনো শক্তি নাইনে ? যিয়ে দোৱাৰ মাজতো আৰোগ্যৰ উপকৰণ ৰাখে। সেই সকল প্ৰিয় ভৃত্য দোৱাৰ ভিতৰতও নহয়নে ? যি খোদাক ব্যাকুলতাৰ সৈতে মাতি থাকে আৰু বিনম্ৰতাৰ সৈতে মাতে এনেকৈ নিজকে হেৰুৱাৰ উপক্ৰম হৈ প্ৰাণ ত্যাগীও মাতে। এনেধৰণৰ মানুহৰ দোৱা কি প্ৰাণহীন আৰু অৰ্থহীন বুলি ক'ব পাৰিনে ?

ঐশ্বৰিক নিয়ম পৰস্পৰ বিৰোধী নহয়।তেনেহলে এইটো কেনেকৈ সম্ভৱ যে সৰ্বত্তম জীৱৰ উপকাৰৰ অৰ্থে খোদা তা'লা ঔষধ আদিৰ মাজত উপকাৰ সাধনাৰ্থে বহু গুণাৱলী ৰাখিছে।সেই খোদা তেনেকুৱা গুণাৱলী দোৱাৰ মাজত ৰখা নাইনে ? নহয়! নহয়! কেতিয়াও নহয় এনেকুৱা কেতিয়াও হ'ব নোৱাৰে।

সঁচা কথা এয়া যে ছৈয়দ চাহাব দোৱাৰ সঠিক তত্ত্ব ভালদৰে বুজিব পৰা নাই। দোৱাৰ অসাধ্য সাধনকাৰী কাৰ্যকৰী সম্বন্ধে তেওঁৰ ব্যক্তিগত কোনো ধৰণৰ

অভিজ্ঞতা নাই বুলি ক'ব পৰা যায়।যাৰ উদাহৰণ সময়ৰ উত্তীৰ্ণ এবিধ ঔষধৰ নমুনা, যিটোৱে এটা যুগৰ আৰোগ্যকাৰীৰ শক্তি হেৰুৱাই পেলাইছিল। এনেকুৱা ঔষধ ব্যৱহাৰ কৰোঁতে ব্যক্তিৰ দৰেই তেওঁ এইটো অকাৰ্য্যকৰ পাইছে। এনে ধৰণৰ ঔষধ পালেই তেওঁ মনত কৰে যে ঔষধ হলেই অকাৰ্য্যকৰ হয়। অনুতাপৰ বিষয় এয়া যে ছৈয়দ চাহাব বাধ্যকত উপনীত হৈছে। কিন্তু বিশ্বব্ৰমাণ্ডৰ নিয়মাৱলী কেনেদৰে কাৰ্য্যকৰী হৈ আছে। সেয়া তেওঁ হৃদয়ৰ চকুৰে নেদেখে।এই ঐশ্বৰিক নিয়মাৱলী কিমান যে নিখুঁতাৱে প্ৰতিষ্ঠিত ইয়াৰ কাৰ্য্যকলাপ পৰস্পৰ পৰস্পৰৰ লগত কেনেধৰণৰ গভীৰ সত্যৰ বান্ধনত কেনেদৰে সম্বন্ধযুক্ত হৈ আছে সেয়া ছৈয়দ চাহাবে নেজানে,এই কাৰণে তেওঁ সহজতে অন্ধবিশ্বাসত বিশ্বাসী হৈছে যে প্ৰাকৃতিক নিয়মৰ দ্বাৰা প্ৰতিষ্ঠিত জাগতিক বা আধ্যাত্মিক উপায় উপকৰণ ব্যতিক্ৰমত ফলৱন্ত হৈয়ে থাকে।

আমি জানো যে জগতখন তকদিৰেৰে ভৰপুৰ, ইয়াৰ প্ৰতিটো বস্তত অপৰিৱৰ্তনী মৌলিক গুণাৱলী আছে। জুই,পানী, বায়ু, মাটি,চাউল,ডালি,ঘেঁহু,গছ-লতা,জীৱ-জন্তু,ধাতু দ্ৰব্য,খনিজ দ্ৰব্য ইত্যাদি যিবোৰ আমি সদায় ব্যৱহাৰ কৰি থাকো। আৰু এইবোৰ ব্যৱহাৰ কৰিব হলে এইবোৰৰ উপযোগী উপায় আৰু পৰিপন্থা যিটো আল্লাহ তা'লাই নিৰ্ধাৰণ কৰি দিছে,সেই উপায় আৰু পন্থা অৱলম্বন কৰো। প্ৰকৃতিৰ উপায় উপকৰণক এৰি দিয়াৰ প্ৰয়াস কৰাটো মুৰ্খামিৰ বাদে আৰু একোকে নহয়। দ্ৰব্যৰ নিৰ্দিষ্ট গুণা-গুণ প্ৰাকৃতিক নিয়মৰ অঙ্গ,তেনেদৰে সেই গুণা-গুণৰ লগত বাহ্যিক বা আভ্যন্তৰিণ উপায় উপকৰণ সম্পৰ্ক প্ৰাকৃতিক বিধানৰ অঙ্গ। এই উপায় উপকৰণৰ কাৰ্যকৰ অস্বীকাৰ কৰা বা অমান্য কৰা আৰু প্ৰাকৃতিক নিয়মৰ অন্ত নিহিত শক্তিক অমান্য কৰা একেই কথা।ছৈয়দ চাহাব যি ক'ব খোজে সেয়া এনেধৰণৰ; সকলো উপায় অৱলম্বনৰ পাছত অৱশিষ্ট সিদ্ধিৰ ব্যৱস্থা আছে।দোৰা অৱশিষ্ট লাভৰ কোনো উপায় নহয়। এই কথাটোৱে ছৈয়দ চাহাবৰ ৰচনায় চুড়ান্ত ৰূপ ধাৰণ কৰিছে।তেওঁ জুইৰ গুণাৱলীক অস্বীকাৰ নকৰে,তেওঁ এই কথাষাৰ নিশ্চয় জোৰ নিদিব যে যিজন ব্যক্তি জুইত পুৰি যোৱাৰ কথা সেয়া ভাগ্যত আছে।তেওঁ বিনা জুইত অগ্নিদগ্ধ হ'ব,দোৰা এই জুইৰ দৰে কাৰ্যকৰী তাৰ ক্ষমতা নাৰাখেনে? খোদা তা'লা দোৱাৰ ভিতৰত ইমানখিনি গুণা-গুণ ৰখা নাইনে? যেতিয়া চাৰিওফালে এন্ধাৰত আৱদ্ধ দেখিবলৈ পোৱা যায় তেতিয়া দোৱা আমাক পোহৰৰ বাট মুকলি

কৰি নিদিয়েনে ? এজন মুছলমান হিচাপে তেওঁ সেয়া কেনেকৈ অস্বীকাৰ কৰিব পাৰে। ভাগ্যৰ নিয়মাৱলী কেৱল দোৱাৰ ক্ষেত্ৰত প্ৰয়োগ কৰা আৰু অগ্নিৰ ক্ষেত্ৰত প্ৰয়োগ নকৰা সঠিক নহয়।কাজা কদৰৰ (তকদিৰৰ) নিয়মাৱলী উভয় ক্ষেত্ৰত সমান ভাৱে প্ৰযোজ্য বা প্ৰয়োজন নহয়নে ? তকদিৰৰ প্ৰতি ছৈয়দ চাহাবৰ বিশ্বাস থকা সত্ত্বেও সিহঁত অন্যান্য ক্ষেত্ৰত উদ্দেশ্য সাধনৰ কাৰণে বিভিন্ন পন্থা অৱলম্বন কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। বৰং সু-সঠিক পন্থা ও পদ্ধতি অৱলম্বনৰ ক্ষেত্ৰত তেওঁ ইমান বেছি পক্ষ্যপাতি যে তেওঁ এই সম্পৰ্কে ইমান কুখ্যাতি অৰ্জন কৰিছে বুলি কলেও ভুল নহ'ব। এয়া সত্ত্বেও তেওঁ দোৱাক কিয় এৰি দিয়ে। এই বিধানত অন্যান্য সকলোবোৰ ৰাখি কেৱল দোৱাক এৰি দিয়া নাযায়। এটা মাখিৰ ভিতৰত কিছু নহয় কিছু শক্তি বা গুণ আছে। অথচ দোৱাৰ মাজত কোনো ধৰণৰ শক্তি নাইনে ?তেওঁৰ মতে দোৱা একোৱে কৰিব নোৱাৰে।সত্য এয়া যে ছৈয়দ চাহাবে নেজানে যে দোৱা কি কৰিব পাৰে। এই সম্পৰ্কে তেওঁৰ নিজা কোনো অভিজ্ঞতা নাই,এনেকি দোৱা সম্বন্ধে প্ৰত্যেকেই অভিজ্ঞতা ৰাখে এনেধৰণৰ অভিজ্ঞতা সম্পূৰ্ণ ব্যক্তিৰ লগত তেওঁ উঠা-বহাও নকৰে।এতিয়া আমি জনসাধাৰণৰ উপকাৰণাৰ্থে দোৱা গ্ৰহণ হোৱা বুলিলে কি বুজায় ?সেয়া ভাৰি চাওঁ আহা! এই কথাটো স্পষ্ট কৰি দিয়া দৰকাৰ যে দোৱা গ্ৰহণযোগ্য হোৱাৰ সম্পৰ্কটো দোৱাৰ সামগ্ৰীক বিষয়টোৰ এটা অঙ্গ মাথোন।সেয়েহে নিয়ম অনুসৰি দোৱা নো কি সেয়া প্ৰথমে বুজাৰ প্ৰয়োজন।এয়া নুবুজিলে দোৱা গ্ৰহণযোগ্য হয় সেয়াও আমি বুজিব নোৱাৰিম।কেৱল অস্পষ্টতা আৰু ভুল ভ্ৰান্তীয়ে মূৰ দাঙি উঠিব আৰু আমাৰ বুজিবৰ পথত বাধাৰ সৃষ্টি কৰিব। আৰু ছৈয়দ চাহাবৰ ক্ষেত্ৰত এইটোই ভুল বুজাবুজিৰ কাৰণ আছিল।

দোৱা কি ? আল্লাহ আৰু আল্লাহৰ সৰল আৰু নেক ভৃত্যৰ মাজত পাৰস্পাৰিক আকৰ্ষণ সূলভ ইতিবাচক সম্পৰ্কৰ আন এটা নাম হ'ল দোৱা।আল্লাহৰ দয়া ও কল্যাণে ভৃত্যক আল্লাহৰ ফালে আকৰ্ষণ কৰে,ভৃত্য যিমান কৃতজ্ঞতাৰ সৈতে আৰু আন্তৰিকতাৰ সৈতে খোদাক আহ্বান কৰে আল্লাহ সিমানেই তাৰ মহিম ভৃত্যৰ কাষ চাপি আহে। দোৱাৰ জৰিয়তে আল্লাহ আৰু ভৃত্যৰ মাজত এক বিশিষ্ট গুণ ধাৰণ কৰে, যিয়ে আচৰিত ধৰণৰ ফলাফল সৃষ্টি কৰে।ধৰি লোৱা হ'ল এজন মানুহে ডাঙৰ বিপদত পৰিছে। তেওঁ পূৰ্ণ বিশ্বাস,পূৰ্ণ আশ্বাস,প্ৰেমপূৰ্ণ ভক্তি আনুগত্য সৎ সাহক আৰু ভৰসাৰ সৈতে আল্লাহৰ ফালে মনোনিৱেশ কৰিল।তেওঁ এক অস্বাভাৱিক

অনুভূতিৰ চেতনা লাভ কৰিব।তেওঁৰ উদাসীনতা আত্মিক ভুল ভাৰ নাইকীয়া হৈ যাব।আৰু অপকৰ্মৰ ভাৰ ধাৰাৰ পৰ্দা ভেদ কৰি আত্মবিশ্বাসৰ ময়দানত প্ৰবল বেগেৰে আগবাঢ়ি যাব। আৰু তাৰ পৰিৱৰ্তে নিজকে আল্লাহৰ কাষত পাব।আল্লাহৰ কাষত তেতিয়া বেলেগ কোনো ব্যক্তি বা বস্তুক দেখিবলৈ পোৱা নাযাব। মাথোন আল্লাহক দেখিবলৈ পোৱা যাব। সেইজনৰ আত্মা আল্লাহৰ সৈতে এনেদৰে মিলিত হোৱা দেখিবলৈ পোৱা যাব যে সেয়া আকৰ্ষণীয় শক্তি তেওঁক দান কৰা হৈছিল।সেইটোৱে আল্লাহৰ মাজত সুন্দৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰিব। তেওঁ আল্লাহৰ দয়াক নিজৰ ফালে আকৰ্ষণ কৰিব পাৰিব।সৰ্বশক্তিমান আল্লাহ তেতিয়া সেইজন ভৃত্যৰ পাৰ্থিৱ বিষয়াৰ প্ৰতি ধ্যান দিব আৰু দোৱাৰ ফল সৃষ্টি কৰা আৰম্ভ কৰি দিব।প্ৰথম ফল এইটো হ'ব যে উচ্চমাৰ্গলৈ পৌছাবৰ কাৰণে যি উপায় উপকৰণৰ প্ৰয়োজন সেইবোৰ একত্ৰিত হ'ব ধৰিছে। যদি বৰষুণৰ প্ৰয়োজনীয়তাৰ কাৰণে দোৱা কৰা হয়।তেন্তে দোৱা বৰষুণৰ উপায় উপকৰণৰ সমাবেশ সংগঠিত হ'ব।দোৱাৰ কাম হ'ল স্বাভাৱিক উপায়বোৰৰ সন্নিবেশ গঠিত কৰা।দুৰ্ভাগ্য সৃষ্টিৰ কাৰণে দোৱা কৰিলে সৰ্বশক্তিমান আল্লাহ দুৰ্ভিক্ষ বা দুৰ্যোগ সৃষ্টিৰ কাৰণে যি সমূদয় সংশ্লিষ্ট অৱস্থাৰ দৰকাৰ সেই অৱস্থাবোৰৰ সমাবেশ ঘটাব।আধ্যাত্মিক জ্ঞান আৰু অভিজ্ঞতা সম্বন্ধে যিসকলে জানে আৰু আৰু যিসকলে আধ্যাত্মিকতাৰ সাফল্য লাভ কৰিছে।তেখেত নিজৰ পূৰ্ণ অভিজ্ঞতাৰ মাধ্যমত জনাইছে যে পূৰ্ণ বিশ্বাসী ব্যক্তিৰ পৰিপূৰ্ণ দোৱাৰ ফলত সৃজনী শক্তি দান কৰা হয়।

আল্লাহৰ অনুমতিক্ৰমে তেখেতৰ দোৱা পাৰ্থিৱ আৰু আধ্যাত্মিক জগতত উজ্জ্বলতা সৃষ্টি কৰে। তেতিয়া বতাহ,বায়ু অগ্নি,পানী মাটি আকাশমণ্ডল, মানৱহৃদয়সকলোৱে পাৰ্থিৱ আশা আকাঙ্খাৰ বাটত পৰিচালিত হয়।আল্লাহৰ পৱিত্ৰ গ্ৰন্থসমূহত এনে ঘটনাৰ উদাহৰণৰ অভাৱ নাই।যি ঘটনাসমূহক আমি মুজেজা (নিদৰ্শন)বুলি কওঁ।সেই ঘটনাসমূহৰ অধিকাংশ ঘটনা দোৱা গ্ৰহণ হোৱাৰ দৃষ্টান্ত বা উদাহৰণ। নবীসকলৰ, অলীসকলৰ হেজাৰ হেজাৰ মুজেজা (নিদৰ্শন)যিবোৰ পৃথিৱীত আজিলৈকে দেখিব পৰা যায়। সেইবোৰৰ উৎস হ'ল দোৱা।দোৱা মহামণ্ডিত প্ৰতিপালক প্ৰভু আল্লাহ তা'লাৰ সাৰ্বভৌম ক্ষমতাক প্ৰকাশ কৰি দেখুৱায়। আৰু মুজেজাসমূহ তাৰে উৎকৃষ্ট উদাহৰণ। আৰবৰ মৰুপ্ৰান্তত কি ঘটিছিল ? ঘটিছিল ভয়াবহ বিপ্লৱ।এটা জাতি সংখ্যাত কেই লাখমান হ'ব যিসকলে নৈতিক আৰু

আধ্যাত্মিক ফালৰ পৰা মৃত আছিল।অলপ কেইদিনৰ ভিতৰত সিহঁত নৈতিক আৰু আধ্যাত্মিকতাৰ শক্তিৰ পৰা মহা শক্তিশালী হৈ উঠিছিল।যিসকল বংশ পৰম্পৰাত দুৰ্নীতি আৰু দুষ্কাৰিতা আৰু কঠোৰ হৃদয়ৰ আছিল।সিহঁত পৱিত্ৰ চৰিত্ৰৰ অধিকাৰী হৈ গৈছিল।অন্ধসকলে তেতিয়া দেখিব পাৰিলে যে যিসকল বোবা আছিল সিহঁতে পৃথিৱীৰ বুকুত ঐশী সত্যৰ প্ৰচাৰ কৰি আছে।এনেকুৱা এটা মহা বিপ্লব সংগঠিত হ'ল যি ইতিপূৰ্বে কোনেও কেতিয়াও দেখা নাছিল আৰু শুনাও নাছিল। আপুনি জানেনে সেয়া কি আছিল? সেয়া আল্লাহৰ খাতিৰত নিজকে উচ্ছ্বৰ্গাকাৰী অন্ধকাৰ ৰাতিৰ দোৱা আছিল।যিয়ে বিশ্ববাসীক হতবিম্ব কৰি দিছে। আৰু আচৰিত ধৰণৰ কথা যি সেই পঢ়া-শুনা নকৰা অৱস্থাত সেয়া দেখাত অসম্ভৱৰ নিচিনা আছিল।

اللهم صل و سلم و بارک علیہ و آلہ بعدد همہ و غمہ و حزنہ لهذہ الامۃ و انزل علیہ انوار رحمتک الی الابد

আৰু মই নিজৰ অভিজ্ঞতাত চাই আছো যে দোৱাৰ প্ৰভাৱ পানী আৰু তাপৰ প্ৰভাৱতকৈ বেছি। অৰ্থাৎ পদাৰ্থবিজ্ঞানৰ সম্বন্ধত কোনো বস্তু এনেকুৱা মহান প্ৰভাৱ পেলাব নোৱাৰে যেনেকুৱা দোৱা প্ৰভাৱ পেলাব পাৰে।

যদি এয়া সন্দেহ হয় যে কিছুমান দোৱা পাপ হৈ যায় আৰু তাৰ কোনো প্ৰভাৱ নহয় তেতিয়া মই কওঁ যে এনেকুৱা অৱস্থা ঔষধৰ ক্ষেত্ৰতো হয়। ঔষধ মৃত্যুৰ দুৱাৰ বন্ধ কৰি দিছেনে বা সেয়া কাৰ্যকাৰী হোৱা অসম্ভৱ? কিন্তু এই কথা সত্ত্বেও যে তাৰ প্ৰভাৱৰ পৰা অস্বীকাৰ কৰিব পাৰে? এয়া সত্য যে প্ৰত্যেক কামৰ সৈতে তকদিৰ আৱৰণ হৈ থাকে। কিন্তু তকদিৰ জ্ঞানক বিনষ্ট আৰু অসন্মানী নকৰে আৰু কাৰণক অনিৰ্ভৰযোগ্য কৰি নেদেখুৱায়। যদি চিন্তা-ভাৱনা কৰি চোৱা, তেন্তে এয়া শাৰিৰীক আৰু আধ্যাত্মিক কাৰণও তকদিৰৰ বাহিৰত নহয়। উদাহৰণস্বৰূপ, যদি এটা ৰোগৰ তকদিৰ পুণ্য হয় তেতিয়া চিকিৎসাৰ কাৰণ সম্পূৰ্ণ ভাৱে সহজ হৈ যায় আৰু শৰীৰৰ অৱস্থাও এনেকুৱা স্থান গৈ পায় তেওঁ তাৰ পৰা লাভবান হোৱাৰ বাবে প্ৰস্তুত হৈ যায়।তেতিয়া ঔষধ চিকাৰৰ নিচিনা গৈ প্ৰভাৱ পেলাব।এয়া নিয়ম দোৱাৰ ফলতো হয়।অৰ্থাৎ দোৱাৰ কাৰণে সকলোবোৰ কাৰণ আৰু চৰ্তসমূহ গ্ৰহণযোগ্য সেই স্থানত গৈ একত্ৰিত হয় য'ত আল্লাহৰ ইচ্ছা

সেইটোক গ্ৰহণ কৰাৰ কাৰণে হয়।খোদা তা'লা নিজৰ শাৰীৰিক ব্যৱস্থাপনা আৰু আধ্যাত্মিকক এটা প্ৰভাৱশালী শৃঙ্খলাত বান্ধি ৰাখিছে। অৰ্থাৎ ছৈয়দ চাহাবৰ এয়া ভুল যে তেওঁ শাৰীৰিক ব্যৱস্থাপনাক স্বীকাৰ কৰে কিন্তু আধ্যাত্মিক ব্যৱস্থাপনাক অস্বীকাৰ কৰে।

অৱশেষত মই এয়া কোৱা প্ৰয়োজনবোধ কৰো যে যদি ছৈয়দ চাহাব নিজৰ ভুল ধাৰণাৰ অনুতাপ নকৰে আৰু এয়া কয় যে দোৰাৰ প্ৰভাৱৰ প্ৰমাণ কি ? মই এনেকুৱা ভুল দাঙি ধৰাৰ বাবে নিযুক্ত হৈছো।মই প্ৰতিশ্ৰুতি দিওঁ যে নিজৰ কিছুমান দোৰা গ্ৰহণ হোৱাৰ পূৰ্বতে ছৈয়দ চাহাবক অৱগত কৰিম। আৰু মাথোন অৱগতই নহয় বৰং প্ৰকাশও কৰিম। কিন্তু ছৈয়দ চাহাবে এয়া স্বীকাৰ কৰিব যে মোৰ দাবী প্ৰমাণীত হৈ যোৱাৰ পিছত তেওঁ নিজৰ ভুল ধাৰণাৰ পৰা উভতি আহিব। ছৈয়দ চাহাবৰ কথা এয়া যে কোৰাণ কৰিমত খোদা তা'লাই সকলোবোৰ দোৰা গ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি দিছে,অথচ সকলোবোৰ দোৰা গ্ৰহণযোগ্য নহয়,এয়া তাৰ বুজাৰ ভুল। আৰু এই আয়াত "উদয়ুনী আছতাজিব লাকুম" (৪০:৬১) এই আয়াতত কাম কৰাৰ বাবে কোৱা হৈছে, ইয়াৰ অৰ্থ সাধাৰণ দোৰা নহয়। অৰ্থাৎ সেই উপাসনা হয় যি মানুহৰ বাবে ফৰজ কৰা হৈছে। কাৰণ আদেশবাচক অধ্যায় ইয়াত বাধ্যতামূলকৰ ওপৰত প্ৰমাণীত কৰে। আৰু প্ৰকাশ্য যে সকলো দোৰা ফৰজ বুলি গন্য নহয়। অৰ্থাৎ কিছুমান ঠাইত আল্লাহ তা'লা ধৈৰ্য্যশীল সকলৰ প্ৰশংসা কৰিছে যি ইন্না লিল্লাহিৰ ওপৰত যথেষ্ট বুলি গন্য কৰে। আৰু দোৰা বাধ্যতামূলক হোৱাৰ ডাঙৰ প্ৰসঙ্গ এয়া যে মাথোন আদেশবাচকৰ ওপৰতেই যথেষ্ট বুলি কোৱা হোৱা নাই অৰ্থাৎ সেয়া ইবাদতৰ শব্দৰে স্মৰণ কৰি অমান্য কৰা অৱস্থাত খোদা তা'লাৰ শাস্তিৰ প্ৰতিশ্ৰুতি ইয়াৰ সৈতে সংলগ্ন কৰি দিয়া হৈছে। আৰু প্ৰকাশ্য যে বেলেগ দোৰাত এই প্ৰতিশ্ৰুতি দিয়া হোৱা নাই। অৰ্থাৎ কোনোবা সময়ত নবীসকলক দোৰা খোজাত সতৰ্কতা আৰু উপদেশ কৰি দিয়া হৈছে। অৰ্থাৎ "ইন্নি আয়িজুকা আন তাকুনা মিনাল জাহিলিন" (চুৰা হুদ আয়াত ৪৭)। ইয়াৰ পৰা পৰিষ্কাৰ যে যদি সকলোবোৰ দোৰা এবাদত হয় তেন্তে হজৰত নুহ (আঃ)ক "লা তাছআলনি"ৰ চাবুক কিয় লগোৱা হয়! আৰু কেতিয়াবা আউলিয়া আৰু নবীসকল দোৰা কৰাক বেয়া আদব বুলি ভাৱিছে আৰু পুণ্যবানসকলে এনেকুৱা দোৰাত হৃদয়ৰ তৃপ্তিৰ ওপৰত কাৰ্যকৰী কৰিছে।অৰ্থাৎ যদি অসুবিধাৰ সময়ত হৃদয়ে দোৰা কৰাৰ ফতোৱা

দিয়ে তেন্তে দোৰাৰ ফালে আকৃষ্ট হ'ব। আৰু যদি ধৈৰ্য্যৰ ফতোৰা দিয়ে তেন্তে ধৈৰ্য্য ধৰিব আৰু দোৰাৰ পৰা পৰামুখ হ'ব। এইটোৰ বাহিৰে যে আল্লাহ তা'লা দোৰা গ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি দিয়া নাই বৰং স্পষ্টকৈ কৈ দিছে যে ইচ্ছা কৰিলে গ্ৰহণ কৰো আৰু ইচ্ছা কৰিলে গ্ৰহণ নকৰো,যেনেকুৱা কোৰাণ কৰিমৰ এই আয়াতৰ পৰা স্পষ্ট হৈ যায়,"বাল ইয়াহু তাদয়ুনা ফাইয়াকশিফু মা তাদয়ুনা ইলায়হি ইন শ্বাআ" (চুৰা আল আনাম আয়াত ৪২) আৰু যদি আমি "তানাজ্জুলান" মানিও লও যে এই স্থানত শব্দ "উদয়ু" ৰ অৰ্থ সাধাৰণতে দোৰা হয় তেন্তে আমি এই কথা মান্য কৰাত কোনো ধৰণৰ উপায় দেখিবলৈ নাপাও যে ইয়াত দোৰাৰ অৰ্থ সেই দোৰা যি চৰ্তসমূহৰ সৈতে একত্ৰিত হয়। আৰু সকলোবোৰ চৰ্তসমূহ একত্ৰিত কৰি লোৱা মানুহৰ দ্বাৰা সম্ভৱত নহয় যেতিয়ালৈকে আল্লাহৰ তৌফিক নহয়,আৰু এয়াও স্মৰণ ৰখা আৱশ্যক যে দোৰা কৰাত কেৱল ক্ৰন্দন কৰাই যথেষ্ট নহয়,বৰং তাকৱা (আল্লাহ ভীতি), পৱিত্ৰতা,পৰিপূৰ্ণ বিশ্বাস আৰু পৰিপূৰ্ণ ভালপোৱা আৰু পৰিপূৰ্ণ ধ্যান আৰু এয়া যে যি ব্যক্তি নিজৰ কাৰণে দোৰা কৰে বা কোনোবাৰ কাৰণে দোৰা কৰে তাৰ পৃথিৱী আৰু আখিৰাতৰ কাৰণে এই কথা অৰ্জিত হোৱা ঐশী সংশোধনৰ বিৰোধ নহয়।কাৰণ কেতিয়াবা দোৰা আৰু চৰ্তসমূহ একত্ৰিত হৈ যায়,কিন্তু যি বস্তু খোজা হৈছে সেয়া আল্লাহৰ ওচৰত খোজা জনৰ কাৰণে ঐশী সংশোধনৰ বিপৰীত হয়। আৰু সেয়া পূৰ্ণ কৰাত কোনো ধৰণৰ উপকাৰীতা নহয়। উদাহৰণস্বৰূপ যদি কোনোবাৰ মাতৃৰ প্ৰিয় শিশু আহলাদ কৰে আৰু চিঞৰী এয়া খোজে যে তেওঁৰ হাতত জুইৰ এঙুৰা আৰু সাপৰ পোৱালী তাৰ হাতত দি দিয়ে বা বিষ যি দেখাত অতি সৌন্দৰ্য সেয়া তেওঁক দেখুৱা হয়।এয়া শিশুৱে বিচাৰি থকা বস্তুক তেওঁৰ মাতৃয়ে কেতিয়াও সেয়া পূৰ্ণ নকৰিব। আৰু যদিওবা সেয়া পূৰ্ণ কৰোৱায় আৰু কোনোমতে শিশুটিৰ মৃত্যুৰ মুখৰ পৰা হাতসাৰিয়ো যায় কিন্তু তাৰ কোনো এক অংগৰ ক্ষতি হয় তেন্তে সেই শিশু যুৱক হোৱাৰ পিছত তাৰ মাতৃৰ প্ৰতি খঙাল হৈ যায়,তাৰ বাহিৰেও আৰু কিছুমান চৰ্তসমূহ আছে যে যেতিয়ালৈকে সেইসকলোবোৰ একত্ৰিত নহয় তেতিয়ালৈকে দোৰাক দোৰা বুলি ক'ব নোৱাৰি,আৰু যেতিয়ালৈকে কোনো দোৰাত পৰিপূৰ্ণ আধ্যাত্মিকতা অন্তৰ্ভুক্ত নহয় আৰু যাৰ বাবে দোৰা কৰা হৈ আছে আৰু যিয়ে দোৰা কৰে তাৰ মাজত শক্তি প্ৰসঙ্গ সৃষ্টি নহয় তেতিয়ালৈকে দোৰাৰ প্ৰভাৱৰ

আশা শেষ হৈ যায়। আৰু যেতিয়ালৈকে ঐশী ইচ্ছা দোৰা গ্ৰহণীয় সম্বন্ধে নহয় তেতিয়ালৈকে এই সকলোবোৰ চৰ্তাৱলী একত্ৰিত নহয়,আৰু দক্ষতাত পৰিপূৰ্ণ ভাৱে দুৰ্বলতা আহি পৰে। ছৈয়দ চাহাব এই কথাও স্বীকাৰ কৰে যে আখিৰতৰ ঘৰৰ সুখ আৰু অনুগ্ৰহ আৰু আনন্দ আৰু আৰাম যাৰ অৰ্থ মুক্তিৰ সৈতে কৰা হৈছে ঈমান আৰু ঈমানী দোৱাবোৰৰ ফলাফল হয়। আকৌ এয়া অৱস্থা যে ছৈয়দ চাহাবক স্বীকাৰ কৰিবলগা হৈছে যে এজন মোমিন ব্যক্তিৰ দোৰা নিজৰ ভিতৰত প্ৰভাৱ বিস্তাৰ কৰে আৰু বিপদসমূহ আঁতৰ হোৱা, উদ্দেশ্যবোৰ অৰ্জন কৰাত সফল হৈ পৰে।কাৰণ যদি সফল হ'ব নোৱাৰে তেন্তে তাৰ কি কাৰণ যে কিয়ামতত সফলপ্ৰাপ্ত হ'ব। চিন্তা-ভাৱনা কৰা আৰু বহু চিন্তা-ভাৱনা কৰা যদি দোৰা এক অপ্ৰভাৱশালী বস্তু হয় আৰু দুনিয়াত কোনো বিপদ আঁতৰ কৰাৰ শক্তি ৰাখিব নোৱাৰে তেন্তে তাৰ কাৰণ কি যে কিয়ামতৰ দিনা সফলপ্ৰাপ্ত হ'ব পাৰিব ? এই কথা স্পষ্ট যে যদি আমাৰ দোৰাত বিপদৰ পৰা সুৰক্ষা পাবৰ কাৰনে সচাঁকৈয়ে কোনো প্ৰভাৱ আছে তেন্তে সেই প্ৰভাৱ এই পৃথিৱীত প্ৰকাশিত হোৱা উচিত যাতে আমাৰ বিশ্বাস দৃঢ় হ'ব পাৰে আৰু আশাঙ্খা বৃদ্ধি হ'ব পাৰে আৰু আখিৰতত মুক্তি পোৱাৰ বাবে আৰু বেছিকৈ দোৰা কৰিব পাৰে। আৰু যদি দোৰা কোনো একোৰে নহয় মাথোন কপাল নত কৰি লোৱাৰ নাম হয় তেন্তে পৃথিৱীৰ বিপদসমূহৰ কাৰণে ছৈয়দ চাহাবৰ কথা যে দোৰা কথা মাথোন, এই ধৰণে আখিৰতৰ বাবেও কথাই হয়,আৰু তাৰ ওপৰত ভৰসা ৰখা মাথোন লালস হয়। এতিয়া মই এই বিষয়ে বেছি লিখিব নুখুজো,কাৰণ শ্ৰোতাবৃন্দসকল আৰু ন্যায়সঙ্গতসকলে মোৰ এই বৰ্ণনা ভাৰি চালে বুজিব পাৰিব যে মই ছৈয়দ চাহাবক তাৰ ভুল বুজা-বুজিৰ যথেষ্ট প্ৰমাণ দাঙি ধৰিছোঁ। যদি এতিয়াও ছৈয়দ চাহাব নিজৰ অটলৰ পৰা পৰামুখ নহয় তেতিয়া বেলেগ পদ্ধতিও তাৰ বাবে প্ৰমাণীত হোৱাৰ বাবে লিখা হৈছে।যদি তেওঁ সত্য বিচাৰে তেতিয়া তেওঁ পৰামুখ নহ'ব। আৰু যদি ছৈয়দ চাহাবৰ দ্বিতীয় পুস্তক যাৰ নাম "তাহৰিৰ ফি উছুলিত তফছিৰ" হয়। তেওঁ এই পুস্তকৰ পৰা একেবাৰে দুৰ্বল আৰু ভঙ্গ পৰি গৈছে। অৰ্থাৎ ছৈয়দ চাহাবে কোনো মত্ত অৱস্থাত এই দুয়ো বিজ্ঞাপন লিখিছে। কাৰণ ছৈয়দ চাহাব গ্ৰহণযোগ্য দোৱাৰ

■হাশিয়া : কুতুব ৰবাবানি ওগুছ ছুজানি ছৈয়দ আব্দুল কাদিৰ জিলানী (ৰাঃ)য়ে যিমান নিজৰ কিতাপ ফুতুহুল গায়িবত পৰিপূৰ্ণতাৰ প্ৰতি লক্ষ্য আৰু দোৱাৰ প্ৰভাৱ নিজৰ অভিজ্ঞতা

আৰু নবীসকলৰ হাতত দোৱাৰ বাহিৰে আৰু কি আছিল? আৰু বেলেগ বিজ্ঞাপনত অৰ্থাৎ ছৈয়দ চাহাব তকদিৰক একোৱে নেমানে কাৰণ সকলোবোৰ বস্তুক সিহঁতে এক ভৱিষ্যৎ অস্তিত্ব কৰি দিয়ে অৰ্থাৎ সেই সকলোবোৰ বস্তু খোদা তা'লাৰ হাতৰ পৰা ওলাই পৰিছে। এতিয়া তেওঁৰ সেইবিলাকৰ পৰিৱৰ্তনত কোনো ধৰণৰ স্বীকৃতি নহ'ব।

বাকী হাশিয়াঃ হিচাপে লিখিছে আমি সাধাৰণ লাভৰ বাবে সেই অধ্যায় লগতে অনুবাদ নিম্ন লিখিত উপলব্দি কৰো। এই লিখিতৰ অৰ্থ এয়া যে প্ৰত্যেক অভিজ্ঞতাত সেই ব্যক্তিৰ সাক্ষী ভৰসাশীল বুলি গন্য কৰা হয় যিয়ে এই অভিজ্ঞতাৰ যাচাই কৰে। অৰ্থাৎ এই অৰ্থে দোৱা গ্ৰহণ হোৱাৰ ব্যাখ্যা সেই ব্যক্তিক সঠিক বুলি জানিব পৰা যায় যিয়ে খোদা তা'লাৰ সৈতে সঠিক সম্পৰ্ক সত্য আৰু প্ৰীতিৰ সৈতে হয়। অৰ্থাৎ ছৈয়দ আহমদ খান চাহাবৰ পৰা এই পৱিত্ৰ ব্যাখ্যা খোজা এনেকুৱাই হয় যেনেকুৱা এক বয়াতৰ পৰা কোনো মানুহৰ ৰোগৰ চিকিৎসা সুধা হয়। ছৈয়দ চাহাব যদি কোনো পাৰ্থিৱ চৰকাৰৰ সম্পৰ্ক সিহঁতৰ ভীতিৰ কাৰণে বৰ্ণনা কৰে তেন্তে তেওঁ এই কথাৰ যোগ্য হ'ব। কিন্তু খোদা তা'লাৰ কথা খোদা ভীতি মানুহেই জানে। আৰু সেই উপাসনা এয়া যে অনুবাদ ঃ আৰু যদি তুমি খোদা তা'লাৰ গ্ৰহণীয় হ'ব বিচৰা তেতিয়া এই কথাৰ ওপৰত বিশ্বাস আনিবা যে আৰু এনেকুৱা ভাৰি লোৱা যে তোমাৰ হাত তোমাৰ ভৰি তোমাৰ মুখ তোমাৰ চকু আৰু তোমাৰ সকলোবোৰ অস্তিত্ব আৰু তাৰ সকলোবোৰ অংগ তোমাৰ বাটত মূৰ্তি হয় আৰু স্ৰষ্টাৰ ভিতৰত বেলেগ সকলোবোৰ বস্তুও তোমাৰ বাটত মূৰ্তিয়ে হয়।তোমাৰ সন্তান তোমাৰ স্ত্ৰী আৰু প্ৰত্যেক পাৰ্থিৱ দুনিয়াৰ উদ্দেশ্যত যি তুমি বিচৰা আৰু পাৰ্থিৱ সম্পদ পাৰ্থিৱ সন্মান আৰু পাৰ্থিৱ উলঙ্গা আৰু ভীতি আৰু জায়েদ আৰু বক্কৰৰ ওপৰত ভৰসা বা খালিদ আৰু অলিদে ক্ষতি কৰিব বুলি ভীতি কৰা এই সকলোবোৰ তোমাৰ বাটত মূৰ্তি হয়।অৰ্থাৎ তুমি এই মূৰ্তিবোৰৰ পৰা কোনোবাৰ অনুসাৰী নহবা আৰু নিজৰ অস্তিত্বক সেইবিলাকৰ অনুসৰণ কৰাত ডুবি নেযাবা। অৰ্থাৎ মাথোন চৰিয়ত অনুযায়ী তোমাৰ অধিকাৰ আৰু নেক চুন্নতৰ অনুসৰণকাৰী হ'বা। যদি তুমি এনেকুৱা কৰিছা তেতিয়া তুমি বুদ্ধিমান হ'ব পাৰিবা আৰু তোমাৰ স্থান ওখ হ'ব। অৰ্থাৎ তোমাক দেখা নাযাব আৰু খোদা তা'লা তোমাক নিজৰ নবীসকল আৰু ৰছুলসকলৰ উত্তৰাধিকাৰী বনাই দিব।অৰ্থাৎ তাৰ জ্ঞান আৰু কল্যাণ যি গুপ্ত আছিল সেয়া তোমাক প্ৰদান কৰা হ'ব আৰু বংশধৰ তোমালৈ সমাপ্ত ঘটিব।অৰ্থাৎ তোমাৰ পিছত কোনোবা থিয় হ'ব নোৱাৰিব যি তোমাতকৈ ডাঙৰ হ'ব। আৰু তোমাৰ দোৱা আৰু তোমাৰ শক্তিশালী উদ্দেশ্য আৰু তোমাৰ কল্যাণৰ পৰা মানুহৰ কঠোৰ দুঃখ আঁতৰ হ'ব আৰু নিৰাশাসকলৰ বাবে বৰষুণ হৈ পৰিব। আৰু খেতিৰ উৎপাদন বৃদ্ধি পাব,প্ৰত্যেকধৰণৰসাধাৰণ

অৰ্থাৎ তাৰ খোদাৰ ওপৰত ভৰসা মাথোন এক সংকীৰ্ণ বৃত্তত সীমাৱদ্ধ। আৰু তাৰ স্নাতক বন্দোৱস্ত আগত নাই বৰং পিছফালে ৰৈ গৈছে। আৰু যি বস্তুৰ ওপৰত অৱস্থা সম্পূৰ্ণ কৰে সেয়া তাৰ বাবে তকদিৰ নহয়,বৰং সেয়া স্ৰষ্টাৰ এক নিজস্ব গুণ হয়। আৰু যি পৰিৱৰ্তনৰ যোগ্য নহয়,কাৰণ তকদিৰৰ অৰ্থক ইখতিয়াৰে মুকাদ্দৰ

বাকী হাশীয়া ঃ আৰু বিশেষ বিপদ আৰু কষ্টৰ সময়ত বাদশ্বাহ তোমাৰ ফালে আকৃষ্ট হ'ব আৰু তোমাৰ দোৱাৰ কল্যাণত সেই বিপদ আঁতৰ হ'ব।আৰু এই শক্তি তোমাৰ সৈতে থাকিব। আৰু যিফালে সি ঘূৰিব সেইফালে তুমি ঘূৰিবা।আৰু পূৰ্বৰ মাত তোমাক নিজৰ ফালে আহ্বান কৰিব,অৰ্থাৎ যি তোমাৰ মুখৰ পৰা ওলাব সেয়া খোদা তা'লাৰ ফালৰ পৰা হ'ব।আৰু তাত কল্যাণ থাকিব। আৰু তোমাক সেই সকলো খোদা বীৰুসকলৰ প্ৰতিনিধি বনোৱা হ'ব যিসকলক তোমাৰ পূৰ্বে জ্ঞান অৰ্জিত হৈছিল।আৰু সেই জন তোমালৈকে সমাপ্ত কৰা হ'ব।অৰ্থাৎ তোমাৰ দোৱা আৰু তোমাৰ ধ্যান বিশ্বব্ৰহ্মাণ্ডৰ কাৰণে অতিবাহিত হ'ব। আকৌ যদি তুমি সমাপ্তক উপস্থিত কৰিব খোজা আৰু উপস্থিতক সমাপ্ত কৰিব খোজা তেতিয়া সেয়াই হৈ যাব আৰু আৰু অসাধাৰণ কাৰ্যকলাপৰ অভ্যাস তোমাৰ পৰা প্ৰকাশিত হৈ যাব। আৰু তোমাক গুপ্ত আৰু উচ্চ জ্ঞান অৰ্জন হ'ব।যাৰ বাবে তোমাক আমিন আৰু যোগ্যবান বুলি গন্য কৰা হ'ব।

বাধ্য হৈ পৰিছে। অৰ্থাৎ এয়া প্ৰকাশ্য যে যি বিশেষত্বৰ ওপৰত খোদা তা'লাৰ কোনো স্বীকৃতি বাকী নাথাকে।তেন্তে এই বিশেষত্বক তাৰ তকদিৰ কেনেকৈ ক'ব পৰা যাব আৰু যদি সেয়া কৰ্তৃত্ব হয় তেন্তে পৰিৱৰ্তন সম্ভৱপৰ হৈ পৰে। উদ্দেশ্য ছৈয়দ চাহাবে সেই দ্বিতীয় বিজ্ঞাপনত গুপ্ত সত্যৰ শাসন সকলোবোৰ বস্তুৰ প্ৰাৰম্ভিকৰ পৰা এনেদৰে উঠাই দিছে যে সেয়া তাৰ বিশেষত্বত(ছৈয়দ চাহাবৰ কথা) ইচ্ছাৰ অনুসৰণৰ মালিক নহয়। অৰ্থাৎ মালিকৰ সেইবিলাকৰ ওপৰত কোনো ধৰণৰ খৰচ কৰাৰ দক্ষতা নাথাকিব। এই ধৰণেই ছৈয়দ চাহাবে সকলোবোৰ বস্তু জুই ইত্যাদিক এনেধৰণৰ ভাৱে। অৰ্থাৎ ছৈয়দ চাহাবৰ আইনত ইংৰাজ সকলৰ আইনতকৈয়ো বেছি কঠোৰতা হয়,কাৰণ ইংৰাজ সকলে পাচঁ বাৰ উত্তৰাধিকাৰক ওলাবৰ বাবে এখন পদ্ধতি প্ৰতিষ্ঠিত কৰি দিছে আৰু সেয়া এই যে যেতিয়া উত্তৰাধিকাৰী এবছৰলৈ বাধ্যতামূলক খাজনাৰ এক অংশই (দুই আনা)হওক যদি আদায় নকৰে তেন্তে সেয়া খাৰিজ হ'ব পাৰে। কিন্তু ছৈয়দ চাহাবে সকলো অৱস্থাতে মালিকৰ অধিকাৰ সমাপ্ত কৰি দিছে। আৰু এয়া বহু ডাঙৰ অত্যাচাৰ হয়। আৰু ছৈয়দ চাহাবে যিয়ে নিজৰ লালস বন্ধুৰ পৰা কোৰাণ কৰিমৰ মৰ্যদা বিচাৰিছে।

গতিকে মই প্ৰয়োজনবোধ কৰিছোঁ যে এই ঠাইত ছৈয়দ চাহাবৰ মইয়ো কিছু পৰিমাণে খিদমত কৰি দিও।কাৰণ পাহৃৰি যোৱা সকলক বাট দেখুওৱা পোন প্ৰথম মোৰ বাবে ফৰজ হয়।গতিকে জনা আৱশ্যক যে সকলোতকৈ **প্ৰথম মৰ্যদা** সঠিক তফছিৰৰ সাক্ষী কোৰাণ মজিদ হয়।এই কথা বৰ ধ্যানেৰে স্মৰণ ৰখা উচিত যে কোৰাণ মজিদ সাধাৰণ কিতাপৰ নিচিনা নহয়,যিয়ে নিজৰ সত্যৰ প্ৰমাণ বা আৱিষ্কাৰৰ কাৰণে বেলেগৰ প্ৰয়োজন হয়।সেয়া এক এনেকুৱা ভৱনৰ নিচিনা যে যাৰ এটা ইটাৰ সলনিৰ ফলত গোটেই ভৱনৰ সৌন্দৰ্য সমাপ্ত ঘটে। ইয়াৰ কোনো সত্যতা এনেকুৱা নাই যে যি কম পক্ষে দহ বা বিশ সাক্ষী তাৰ নিজৰে ভিতৰত সীমিত নাথাকিব। গতিকে যদি আমি কোৰাণ মজিদৰ এক আয়াতৰ এটা অৰ্থ কৰো তেতিয়া আমাৰ লক্ষ্য ৰখা উচিত যে এই অৰ্থৰ সত্যায়ণ কৰাৰ বাবে বেলেগ সাক্ষী কোৰাণ কৰিমৰ সৈতে মিলি আছে নে নাই।যদি বেলেগ সাক্ষী মিলা নাই অৰ্থাৎ এই অৰ্থ বেলেগ আয়াতৰ পৰা একেবাৰে ভিন্ন তেতিয়া আমাৰ বুজা আৱশ্যক যে সেই অৰ্থ একেবাৰেই বাতিল। কাৰণ এয়া সম্ভৱ নহয় যে কোৰাণ কৰিমত মতভেদ আছে। আৰু সত্যিকাৰ অৰ্থে এয়াই চিহ্ন যে কোৰাণ কৰিমৰ বিস্তাৰিত সাক্ষীৰ দলৰ ইয়াৰ সত্যায়ণ কৰিব।

দ্বিতীয় মৰ্যদা ৰছুলে কৰিম (ছাঃ)ৰ তফছিৰ হয়।ইয়াত কোনো সন্দেহ নাই যে কোৰাণ মজিদৰ অৰ্থ বুজি পোৱা সকলে আমাৰ প্ৰিয় আৰু বুজুৰ্গ নবী হজৰত নবী কৰিম (ছাঃ)আছিল। অৰ্থাৎ যদি আঁহজৰত (ছাঃ)ৰ পৰা কোনো ব্যাখ্যা প্ৰমাণীত হৈ যায় তেতিয়া মুছলমানৰ বাবে ফৰজ হয় যে পলম নকৰি সেয়া গ্ৰহণ কৰা উচিত।

তৃতীয় মৰ্যদা চাহাবাসকলৰ তফছিৰ হয়। ইয়াত কোনো সন্দেহ নাই যে চাহাবাসকল আঁহজৰত (ছাঃ)ৰ জ্যোতিক অৰ্জনকাৰীসকলে আৰু নবুয়তৰ জ্ঞানৰ প্ৰথম উত্তৰাধিকাৰী আছিল আৰু খোদা তা'লাৰ অসীম কৃপা সিহঁতৰ ওপৰত আছিল, আৰু ঐশী সহায় সিহঁতৰ সৈতে আছিল।কাৰণ সিহঁতৰ কেৱল দুৰাৱস্থাই নাছিল অৰ্থাৎ অৱস্থাও আছিল।

চতুৰ্থ মৰ্যদা নিজে নিজৰ হৃদয়ৰ পৱিত্ৰতাক লৈ কোৰাণ কৰিমৰ বিষয়ে চিন্তা-ভাৱনা কৰা। কাৰণ পৱিত্ৰ হৃদয়ৰ সৈতে কোৰাণ কৰিমৰ সম্বন্ধ আছে। আল্লাহ তা'লা কৈছে, "লা ইয়ামাচ্ছুহু ইল্লাল মুতাহহাৰুণ"(চুৰা ওৱাকিয়া আয়াত

৮০) অৰ্থাৎ কোৰাণ কৰিমৰ সত্যতা মাথোন সেইসকলৰ ওপৰত প্ৰকাশিত হয় যিসকলৰ হৃদয় পৱিত্ৰ। কাৰণ পৱিত্ৰ হৃদয়বান সকলৰ ওপৰত কোৰাণ কৰিমৰ পৱিত্ৰ নিৰ্দেশ প্ৰকাশিত হয়,আৰু তাক চিহ্নিত কৰি লয় আৰু তাৰ সুগন্ধি বিচাৰি থাকে। আৰু তাৰ হৃদয় ক'ব ধৰে ইয়াত এই বাট উৎকৃষ্ট। আৰু তাৰ জ্যোতি হৃদয়ক সত্যায়ণ কৰাৰ বাবে এক উৎকৃষ্ট মৰ্যদাপ্ৰাপ্ত হয়।অৰ্থাৎ যেতিয়ালৈকে মানুহ যোগ্যতাপ্ৰাপ্ত নহয় আৰু সেই সংকীৰ্ণ বাট অতিক্ৰম নকৰে যি বাটেৰে নবীসকল অতিক্ৰম কৰিছে, তেতিয়ালৈকে সিহঁতে কোৰাণ মজিদৰ সঠিক ব্যাখ্যা কৰিব নোৱাৰে। যেনেকুৱা নবী কৰিম (ছাঃ)য়ে কৈছে যে "মান ফাচ্ছাৰাল কুৰাণা বিৰায়িহি ফাআচাবা ফাকাদ আখতাআ" অৰ্থাৎ যিজনে নিজৰ ৰায় মতে কোৰাণৰ তফছিৰ কৰিছে আৰু নিজৰ ধাৰণাক ভাল বুলি ভাৱিছে তেতিয়াও তেওঁ বেয়া তফছিৰ কৰিছে।

পঞ্চম পৰ্যদা আৰবৰ অভিধান হয়। কিন্তু কোৰাণ মজিদ নিজৰ সম্পদ এতিয়া ইমান পৰিমাণে প্ৰতিষ্ঠিত কৰিছে যে আৰবৰ ভাল অভিধানৰ তদন্ত কৰাৰ প্ৰয়োজন নহয়,হয় প্ৰয়োজন সাপেক্ষে দৰকাৰ হয়,অৰ্থাৎ কেতিয়াবা কোৰাণ কৰিমৰ গুপ্ত ৰহস্যৰ ফালে অভিধান বিচৰাত ধ্যান জাগ্ৰত হয় আৰু এক ৰহস্যৰ কথা মুকলি হৈ পৰে।

ছষ্টম মৰ্যদা আধ্যাত্মিক শৃঙ্খল বুজাৰ বাবে শাৰীৰিক শৃঙ্খল হয়। কাৰণ খোদা তা'লা উভয় শৃঙ্খলাত মিল ৰাখিছে। **সপ্তম মৰ্যদা** অহি (প্ৰত্যাদেশ)আৰু মুহাদ্দিছিনসকলৰ দিব্য দৰ্শন*হয় আৰু এই মৰ্যাদা

***হাশিয়া মিয়াৰে সপ্তমঃ** ছৈয়দ চাহাবে নিজৰ কোনো পুস্তকত অহিক সত্যৰ মৰ্যদা বুলি নেমানে তাৰ কাৰণ এয়া জানিব পৰা যায় সেই নবীৰ অহি হওক সন্মানৰ দৃষ্টিৰে নেদেখে অৰ্থাৎ সেয়া মাথোন প্ৰাকৃতিক ফিৰিস্তা বুলি গন্য কৰে,গতিকে তাৰ এই ৰায় সম্বন্ধে এই স্থানত কিছু বৰ্ণনা কৰা যুক্তিসঙ্গত বুলি ভাৱো যে ছৈয়দ চাহাবৰ এই ধাৰণা ভুল আৰু সত্যৰ পৰা আঁতৰত ৰখাৰ এক ৰায় হয় যে আল্লাহৰ অহিক মাথোন প্ৰকৃতি ফিৰিস্তা বুলি ধাৰণা কৰে। এই কথা স্পষ্ট যে মানুহৰ প্ৰকৃতিত কেইবা ধৰণৰ আলাপআলোচনা থাকে আৰু সকলোবোৰ আপালআলোচনাত এই ধৰণৰ যে এজনৰ অঙ্গি-ভঙ্গি বেলেগৰ অঙ্গি-ভঙ্গিৰ ওপৰত সাক্ষী থাকে। উদাহৰণস্বৰূপ কিছুমানৰ প্ৰকৃতি জ্ঞান অংক আৰু জ্যামিতিত মিল থাকে আৰু কিছুমানৰ ঔষধী জ্ঞান আৰু কিছুমানৰ যুক্তিবিদ্যা জ্ঞান আৰু কথাত নিজে নিজে এই গুপ্ত শক্তিয়ে কোনোবাক গণনা আৰু প্ৰকৌশলী বা ডাক্তৰ আৰু যুক্তিবিদ্যা বনাব নোৱাৰে।অৰ্থাৎ এনেকুৱা ব্যক্তি শিক্ষকৰ শিক্ষাৰ

সকলোবোৰ মৰ্যাদা ওপৰত প্ৰভাৱশালী কৰে কাৰণ অহিপ্ৰাপ্ত মুহাদ্দিছ নিজৰ নবীৰ অনুসৰণৰ সম্পূৰ্ণ সদৃশ হয়। আৰু নবী অবিহনে আৰু নতুন আদেশৰ সেইসমূহ কথা তাক দিয়া হয় যি নবীসকলক দিয়া হয়।আৰু তাৰ ওপৰত নিশ্চয় সত্য শিক্ষা প্ৰকাশিত হয় আৰু কেৱল মাথোন ইমানখিনিয়েই নহয় বৰঞ্চ সেইবোৰ কাৰ্যকলাপ পুৰস্কাৰ আৰু সন্মানীত হিচাপে ব্যবহৃত হয়। অৰ্থাৎ এই বৰ্ণনা কেৱল বন্ধ নাথাকে বৰঞ্চ সেয়া দেখি কৈ থাকে,আৰু শ্ৰৱণ কৰি কৈ থাকে আৰু এই বাট

বাকী হাশিয়া ঃ প্ৰয়োজন হয়। আৰু আকৌ জ্ঞানী শিক্ষক যেতিয়া সেই ব্যক্তিৰ শৰীৰত এক বিশেষ মিল থকা দেখিব পায়।তেতিয়া সেয়া পঢ়াৰ বাবে এক মনোযোগ আকৰ্ষণ হয় সেই সম্পৰ্কে এক কবিতা এয়া যে,

ہر کسے را بہر کارے ساختند   میل بعش اندران انداختند

সেই শিক্ষাৰ পিছত সেই ৰাণী যিয়ে বীজৰ নিচিনা গুপ্ত হৈ আছিল বিস্তাৰণ কৰে আৰু নানা ধৰণৰ সূক্ষ্ম শিক্ষা তেওঁক প্ৰভাম্বিত কৰে আৰু যিবিলাক সেই অভিজ্ঞতাৰ বিষয়ে নতুন নতুন কাৰ্যকলাপ আল্লাহৰ ফালৰ তেওঁৰ হৃদয়ত সৃষ্টি হয়,যদি সেইবোৰৰ নাম ইলহাম আৰু ইলকা ৰখা হয় তথাপি কোনো ধৰণৰ দূৰত্ব নহয়।কাৰণ সন্দেহ অবিহনে সেই সকলোবোৰ কথা যাৰ পৰা মানুহ উপকৃত হয়,খোদা তা'লাৰ ফালৰ পৰা হৃদয়ত সোমাই দিয়া হয়। অৰ্থাৎ আল্লাহ তা'লা এই ফালে ইঙ্গিত কৰি কয় যে,"ফাআলহামাহুমা ফুজুৰুহা ওৱা তাকৱাহা" (আশস্বামছ্ আয়াত ৯) অৰ্থাৎ বেয়া কথা আৰু পুণ্য কথা যি মানুহৰ হৃদয়ত পৰে সেয়া খোদা তা'লাৰ ফালৰ পৰা ইলহাম হয়। ভাল মানুহ নিজৰ ভাল শৰীৰৰ কাৰণে সেইবোৰৰ যোগ্য হয় যে ভাল কথা তাৰ হৃদয়ত পৰে। আৰু বেয়া মানুহ নিজৰ বেয়া শৰীৰৰ কাৰণে সেই ধৰণে বাস্তবায়িত হয়। বেয়া কল্পনা আৰু বেয়া ধাৰণা তাৰ হৃদয়ত জন্মে।আৰু সচাঁকৈয়ে নেক মানুহ এই ধৰণৰ ইলহামপ্ৰাপ্ত হোৱাৰ কাৰণে প্ৰকৃতপক্ষে এক নেক ফিৰিস্তা নিজৰ ভিতৰত সৃষ্টি কৰে। আৰু বেয়া মানুহ প্ৰকৃতপক্ষে এক বেয়া ফিৰিস্তা নিজৰ ভিতৰত ৰাখে।অৰ্থাৎ সেই ফিৰিস্তা প্ৰকৃতিৰ হোৱাৰ কাৰণে বহু মানুহ ভাল আৰু বেয়াৰ সংকলন পৱিত্ৰ আৰু অপৱিত্ৰ শব্দবোৰে নিজৰ স্মৃতি এৰি গৈছে।কিন্তু প্ৰশ্ন এয়া যে নবীসকলৰ অহিৰো এয়া সত্যতা আছিলি যে প্ৰকৃতপক্ষে এয়াও এক ধৰণৰ ফিৰিস্তাৰ বৈশিষ্ট ৰাখে।যিসকলে এই ধৰণৰ অহী প্ৰাপ্ত হৈ থাকে।যাৰ বিস্তাৰিত এতিয়া বৰ্ণনা কৰা হৈছে যদি ইমানখিনিয়ে কথা সচাঁ জানিব লাগে কাৰণ নবীসকলৰ অহীক মাথোন এক ফিৰিস্তাৰ বৈশিষ্ট কৰি দিয়া আৰু নবীসকলক এই ধৰণৰ বেলেগ মানুহৰ মাজত পাৰ্থক্য প্ৰতিষ্ঠিত কৰা বৰ অসুবিধা। সম্ভৱত ছৈয়দ চাহাব এই ঠাইত এয়া কৈ দিয়ক যে আমি অহি হয় বুলি মান্য কৰো,অৰ্থাৎ কোৰাণ মজিদৰ শব্দবোৰ অহি হয়, কিন্তু ছৈয়দ চাহাব এই জ্ঞানক ভালদৰে বুজি পায়

সেই উম্মতৰ বাবে মুকলি আছে এনেকুৱা কেতিয়াও হ'ব নোৱাৰে যে উত্তৰাধিকাৰী কোনেও হ'ব নোৱাৰিব। আৰু এজন ব্যক্তি যি পোক-পৰুৱা আৰু দুনিয়াৰ গৌৰৱ আৰু উলঙ্গাত আবদ্ধ সেইজনাই নবুয়তৰ জ্ঞানৰ উত্তৰাধিকাৰী হ'ব,কাৰণ খোদা তা'লা প্ৰতিশ্ৰুতি কৰিছে যে পৱিত্ৰসকলৰ বাহিৰে নবুয়তৰ জ্ঞান কাৰোবাক দিয়া নহ'ব।অৰ্থাৎ এয়া সেই পৱিত্ৰ জ্ঞানৰ সৈতে বাজি কৰিব যে প্ৰত্যেক ব্যক্তি নিজৰ জ্যোতিৰময় অৱস্থাৰ নবীৰ উত্তৰাধিকাৰী হোৱাৰ দাবী কৰে এয়া এক কঠোৰ অজ্ঞতা যে সেই উত্তৰাধিকাৰীৰ অস্তিত্বক অস্বীকাৰ কৰা হওক আৰু এয়া ভৰসা ৰখা হওক যে গুপ্ত নবুয়ত এতিয়া মাথোন পূৰ্বৰ কাহানিৰ সৈতে

বাকী হাশিয়া ঃ তথাপি তেওঁ অহিৰ বিশ্বাসী নহয়,যি আমি বিশ্বাস কৰো,প্ৰকাশ্যে যে কোনো অহি শব্দ অবিহনে নহয় এয়া অৰ্থ কৰা যি শব্দৰ পৰা বিযুক্ত এয়া মস্তিস্কত আহিবই নোৱাৰে,অথচ কোৰাণ আৰু হাদীছৰ মাজত এটা পাৰ্থক্য আছে।আৰু এই পাৰ্থক্য মুতাবিক হাদীছৰ শব্দবোৰক সেই নিজৰাৰ পৰা পৃথক হৈ যোৱা বুলি নিৰ্ধাৰিত নকৰে যি নিজৰাৰ পৰা কোৰাণৰ শব্দবোৰ ওলাইছে। অৰ্থাৎ অহি আৰু ইলহামৰ অৰ্থসমূহক দৃষ্টি ৰাখি হাদীছৰ শব্দবোৰও আল্লাহৰ ফালৰ পৰা হয় অৰ্থাৎ আয়াত, "ওৰা মা ইয়ানতিকু আনিল হাৱা ইন হুৱা ইল্লা ওৱাহিয়ু ইউহা" (চুৰা নজম আয়াত ৪,৫)ইয়াৰ ওপৰত সাক্ষী দি আছে যে এই কথা আমি দ্বিতীয়বাৰ স্মৰণ কৰাই দিও যে কোনো ধৰণৰ অহি হওক শব্দবোৰ নিশ্চয় লগতে থাকিব,উদাহৰণস্বৰূপ, এজন কবিয়ে যিয়ে নিজৰ এক শ্লোকৰ সৈতে দ্বিতীয় শ্লোক বিচাৰি থাকে,সেই সময়ত তেতিয়া তাৰ মস্তিস্কত কোনো আল্লাহৰ ফালৰ পৰা অহি হ'ব তেতিয়া সেয়া শব্দবোৰৰ সৈতেই হ'ব।

এতিয়া এই কথা স্পষ্টভাৱে প্ৰকাশ পাইছে যে জ্ঞানী,চিহ্নিত কৰোঁতা কবিসকলকো খোদা তা'লাৰ পৰা ইলহাম হয় সেয়াও ইলহাম হয়,আৰু তাৰ ভিতৰত খোদা ভীতি সকলক সঠিক বাটৰ আৰু অজ্ঞসকলক বেয়াৰ এক বৈশিষ্ট প্ৰদান কৰা হয়। পৰিস্থিতি অনুযায়ী সেই বৈশিষ্ট থকা সকলক মাজে সময়ে ইলহাম হৈ থাকে। উদাৰণস্বৰূপ যিজনে ৰেল আবিষ্কাৰ কৰিছে তেওঁকো ইলহাম হৈছিল।আৰু যিজনে বৈদ্যুতিক তাৰৰ উদ্ভাবক অতিবাহিত হৈছে।তেওঁৰো ইলহাম হৈছিল।গতিকে সেই আৰোপ যাৰ উল্লেখ আমি কৰিছোঁ সেয়া ছৈয়দ চাহাবৰ ওপৰত পৰে।যদি ছৈয়দ চাহাবে এই উত্তৰ দিয়ে যে প্ৰকৃতপক্ষে ইলহামপ্ৰাপ্ত হৃদয় আৰু জ্ঞানী,অৰ্থাৎ কাফিৰ আৰু মোমিন সমান হয় কিন্তু পাৰ্থক্য এয়া যে নবীসকলৰ ইলহাম সদায় শুদ্ধ হয় গতিকে এনেকুৱা উত্তৰত ছৈয়দ চাহাব এই কথা স্বীকাৰ কৰিব লাগিব যে নবীসকলৰ ইলহাম কাফিৰসকলৰ ইলহামৰ সৈতে কোনো নিজস্ব পাৰ্থক্য নাথাকে,কেৱল এয়া বেছি কাৰ্যাকৰী যে নবীসকলৰ অহিক ভুলৰ পৰা পৱিত্ৰ।আৰু আৰছতো আৰু ফালাতুন ইত্যাদি জ্ঞানীসকলৰ অহি ভুলৰ পৰা পৱিত্ৰ নাছিল।কিন্তু এই দাবী যুক্তিহীন কাৰণ এই ক্ষেত্ৰত আমাক মানিব লাগিব যে সেই জ্ঞানীসকলৰ

স্বীকাৰ কৰা উচিত। যাৰ অস্তিত্ব আমাৰ সন্মুখত নাই। আৰু হোৱাটোও সম্ভৱপৰ নহয়।আৰু সেইবিলাকৰ কোনো আদৰ্শও উপস্থিত নাই। কথা এয়া নহয় যে যদিওবা এনেকুৱা হয় তেন্তে ইছলাম জীৱিত ধৰ্ম ক'ব নোৱাৰিব। অৰ্থাৎ বেলেগ ধৰ্মৰ নিচিনা এয়াও মৃত ধৰ্ম হ'লহেঁতেন,সেই ক্ষেত্ৰত নবুয়তৰ মছ্‌লাৰ ভৰসাও মাথোন এক কাহানি হ'লহেঁতেন, যি পূৰ্বৰ কাৰণৰ নিচিনা উদ্ধৃতি দিয়া হয়।কিন্তু খোদা তা'লা এনেকুৱা বিচৰা নাই কাৰণ সেইজনা ভালদৰে অৱগত আছিল যে ইছ্‌লাম জীৱিত হোৱাৰ প্ৰমাণ আৰু নবুয়তৰ সত্যতাৰ বিশ্বাসী যি সদায় প্ৰত্যেক যুগত অহিৰ অস্বীকাৰকাৰীক নিৰৱ কৰিব পাৰে,সেই অৱস্থাত প্ৰতিষ্ঠিত থাকিব পাৰে যে অহিৰ শৃঙ্খল মুহাদ্দিছ্‌সকলৰ ৰঙত চিৰকালৰ ভাৱে জাৰি থাকে।গতিকে

বাকী হাশিয়া ঃ বেছিৰ ভাগ অংশ উপদেশমূলক আৰু চাৰিত্ৰিক কথা যি ভুলৰ পৰা পৱিত্ৰ আৰু কোৰাণ মুতাবিক হয়,সেয়া নিঃসন্দেহ আল্লাহৰ কালাম বুলি বুজি লওক,আৰু ফুৰকানৰ সমান বুলি নিৰ্ধাৰিত কৰি দিয়া আৰু সেয়া অহি মতলু হোৱা বুলি বিশ্বাস স্থাপন কৰা হওক আৰু বেলেগ অংশ য'ত ভুল আছে তাক সেইমতে ইজতিহাদী ভুলৰ সেই বিভাগত অন্তৰ্ভুক্ত কৰি দিয়ক যেনেকুৱা নবীসকলৰ দ্বাৰাও কেতিয়াবা ইজতিহাদী ভুল হৈ যায়।আৰু এই তত্ব হিচাপে এনেকুৱা জ্ঞানীসকলক অৰ্থাৎ কাফিৰসকলকও নবী বুলি ভাৰি লোৱা।এতিয়া স্পষ্ট যে এয়া এনেকুৱা কল্পনা যে অতি কাযতীয়া যে ছৈয়দ চাহাবৰ ঈমান ইয়াৰ পৰা বিনষ্ট হৈ যায়।অৰ্থাৎ সম্ভৱত কোনো সময়ত নিউটন ইত্যাদি জ্ঞানীসকলৰ অহিক কোৰাণৰ অহিতকৈ উচ্চ বুলি ভাবিব ধৰে।পৰিতাপৰ বিষয় যে ছৈয়দ চাহাব কোৰাণ মজিদৰ অৰ্থ বুজাৰ কাৰণে কোৰাণ মজিদক উচ্চ মৰ্যাদা বুলি ভাৱিলে তেওঁ সেই ধ্বংশৰ গ্ৰাসৰ পৰা ৰক্ষা পালেহেঁতেন। কোৰাণ মজিদে কোনো ঠাইত অহিৰ এই উদাহৰণ দাঙি ধৰা নাই যে সেয়া এই নিজৰাৰ নিচিনা যে যি ভূমিৰ পৰা উৎসাহিত হয়,অৰ্থাৎ প্ৰত্যেক ঠাইত এই উদাহৰণ দাঙি ধৰিছে যে সেয়া সেই বৰষুণৰ নিচিনা যি আকাশৰ পৰা অৱতীৰ্ণ হয়। যদি ছৈয়দ চাহাবে লিখাৰ সময়ত কোনো যোগ্য ব্যক্তিৰ পৰা সুধি ললেহেঁতেন যে আল্লাহৰ অহি কি বস্তু আৰু কিয় অৱতীৰ্ণ হয় তেতিয়াও এই ভুলৰ পৰা হাত সাৰিব পাৰিলেহেঁতেন।এই পদস্খলনৰ কাৰণে ছৈয়দ চাহাবে এক বৃহৎ পৰিমানৰ মুছলমানক ধ্বংশ কৰি দিছে। আৰু ওচৰা-ওচৰি সিহঁতক নিৰীশ্বৰবাদ আৰু নাস্তিকলৈ পৌছাই দিছে।নবুয়তৰ অহিৰ সন্মানৰ পৰা আঁতৰ হৈ সেই মুলকা ফিতৰতি পৰ্যন্ত সীমাবদ্ধ কৰি দিছে য'ত কাফিৰ আৰু বিশ্বাসী উভয়ে অন্তৰ্ভুক্ত।

এই সময়ত মই মাথোন আল্লাহৰ বাবে নিজৰ নিজস্ব সাক্ষী ছৈয়দ চাহাবৰ সন্মুখত উস্থাপন কৰি আছো,সম্ভৱত খোদা তা'লা তাৰ ওপৰত কৃপা বৰ্ষিত কৰিব। হে প্ৰিয় ছৈয়দ চাহাব! মই আল্লাহৰ শপত গ্ৰহণ কৰি কও যে এই কথা সচাঁকৈয়ে সঠিক যে অহি আকাশৰ পৰা হৃদয়ৰ

তেওঁ তেনেকুৰাই কৰিছে। মুহাদ্দিছ সেইসকল হয় যিসকলে পৰিষ্কাৰ ইলহামৰ জৰিয়তে অধিক্ষক হয়।আৰু সিহঁতৰ প্ৰত্যেক নবীসকলৰ হৃদয় যি প্ৰত্যেক হৃদয়ৰ

বাকী হাশিয়া ঃ ওপৰত এনেকুৰা ভাৱে অৱতীৰ্ণ হয় যেনেকুৰা সূৰ্য্যৰ পোহৰ দিৱাৰৰ ওপৰত পৰে। মই প্ৰত্যেক দিন দেখি থাকো যে যেতিয়া ইলহাম হোৱাৰ সময় হয় তেতিয়া পোনপ্ৰথম মোৰ ওপৰত এক ধৰণৰ ৰুবুদগি আৰব্ধ হৈ পৰে।তেতিয়া মই এক ধৰণৰ পৰিৱৰ্তনশীল বস্তুৰ সদৃশ হৈ যাও আৰু মই উদাসী আৰু ইন্দ্ৰিয়ৰ পৰা সচেতন থাকো কিন্তু সেই সময়ত মই এয়া পাও যে অৰ্থাৎ এক বৃহৎ শক্তিশালী অস্তিত্বই মোৰ সকলোবোৰ অস্ত্বিক নিজৰ ভূমিৰ সৈতে মিলিত কৰি দিয়ে আৰু সেই সময়ত অনুতাপ কৰো যে মোৰ অস্তিত্বৰ সকলোবোৰ শক্তি তেওঁৰ হাততেই আছে। আৰু যিবিলাক মোৰ সেয়াও মোৰ নহয় অৰ্থাৎ সেইজনাৰ।যেতিয়া এনেকুৰা পৰিস্থিতি হৈ যায় তেতিয়া সৰ্বপ্ৰথম মোৰ খোদা তা'লাই দিয়া হোৱা হৃদয় সেই ধাৰণাসমূহ মোৰ দৃষ্টিৰ সন্মুখত উস্থাপন কৰো যাৰ ওপৰত সেইজনাৰ কালামৰ জেউতি অৱতীৰ্ণ কৰাক মঞ্জুৰি প্ৰদান কৰে,তেতিয়া এক ধৰণৰ অদ্ভুত অৱস্থাত সেইসমূহ ধাৰণা এটাৰ পিছত এটা দৃষ্টিৰ সন্মুখত আহিব ধৰে।আৰু এনেকুৰা হয় যে যেতিয়া এক কল্পনা উদাহৰণ স্বৰূপ,জায়েদৰ সম্বন্ধে হৃদয়ত আহে যে তেওঁ অমুক ৰোগৰ পৰা মুক্তি পাব বা নাপাব।তেতিয়া তৎক্ষণাত তাৰ ওপৰত এক আল্লাহৰ কালামৰ টুকুৰা এক পোহৰৰ নিচিনা অৱতীৰ্ণ হয় আৰু কেতিয়াবা সেই পোহৰ অহাৰ লগে লগে গোটেই শৰীৰ হেলনীয়া হৈ যায় তাৰ পিছত সেই সমস্যাৱলী অতিক্ৰম হৈ বেলেগ ধাৰণা সন্মুখত আহি পৰে সেইফালে সেই ধাৰণা দৃষ্টিৰ সন্মুখত থিয় হোৱা আৰু ইফালে এটুকুৰা ইলহামৰ তাৰ ওপৰত আহি পৰে,যেনেকুৰা এজন ধনুৰ্বিদ্যা প্ৰত্যেক চিকাৰৰ বাবে তীৰ মাৰি থাকে,আৰু সেই মুহূৰ্তত মই অনুভৱ কৰো যে এই শৃঙ্খলাৰ কল্পনা আমাৰ ফিৰিস্তাৰ বৈশিষ্টৰ ফলত সৃষ্টি হয়,আৰু কালাম যি যাৰ ওপৰত পৰে সেয়া ওপৰৰ পৰা অৱতীৰ্ণ হয়।যদিওবা কবি ইত্যাদি সকলৰো কল্পনাৰ চিন্তা-ভাৱনাৰ পিছত ইলহাম হয় কিন্তু সেই অহিক তাৰ সৈতে তুলনা কৰা কঠোৰ অসন্মানী হয়।কাৰণ সেই ইলহামৰ চিন্তাৰ এক ফলাফল হয়।আৰু সচেতন প্ৰতিষ্ঠিত,আৰু মানৰ অৱস্থাত প্ৰকাশিত হয়।কিন্তু এই ইলহাম মাথোন সেই অৱস্থাতেই হয় যেতিয়া মানুহ নিজৰ গোটেই অস্তিত্বৰ সৈতে খোদা তা'লাৰ কাৰণে হৈ যায়।আৰু নিজৰ সচেতনক কোনো পদ্ধতিতেই তাত দখল নিদিয়ে,সেই সময়ত তেওঁৰ কথা এনেকুৰা জানিব পৰা যায় যে অৰ্থাৎ এয়া তাৰ নিজৰ কথা নহয়,আৰু এক বিৰাট শক্তিশালী ক্ষমতা তেওঁৰ সৈতে কাম কৰে। আৰু এই পদ্ধতি যি মই বৰ্ণনা কৰিছোঁ,ইয়াৰ পৰা স্পষ্ট বুজা যায় যে প্ৰকৃতি বৈশিষ্ট কি বস্তু আৰু আকাশৰ পৰা কি অৱতীৰ্ণ হয় ?অৱশেষত মই দোৱা কৰো যে খোদা তা'লা এই অশিষ্টাচাৰ বৈশিষ্টজনৰ পৰা মুছলমানৰ হৃদয় এনেকুৰা ভাৱে পৰিষ্কাৰ কৰি দিয়া যে সিহঁতৰ মাজত কোনো ধৰণৰ দাগ বাকী নাথাকে। কাৰণ ইছলামৰ কল্যাণ যি চকুৰে দেখা হয় সেই চকু তেতিয়ালৈকে মুকলি নহ'ব যেতিয়ালৈকে এই ধোৱা সন্মুখৰ পৰা আঁতৰ নহ'ব।

সৈতে বৰ মিলন থাকে। আৰু সিহঁতে বিশেষ নবুয়তৰ কাৰণে আয়াত প্ৰাপ্ত কৰে যাতে এই সূক্ষ্ম সমস্যা অহিৰ অৱতাৰণ কোনো যুগত অপ্ৰমাণীত হৈ মাথোন কাহানি ৰূপে থাকি নাযায়। আৰু এই কল্পনা শুদ্ধ নহয় যে নবীসকল এই পৃথিৱীৰ পৰা বিনা উত্তৰাধিকাৰী হৈ অতিবাহিত কৰিছে। আৰু এতিয়া তাৰ বিষয়ে কোনো ৰায় প্ৰকাশ কৰা কাহানিৰ বাহিৰে একোৱে নহয়। অৰ্থাৎ প্ৰত্যেক শতাব্দীত প্ৰয়োজন সাপেক্ষে তেখেতসকলৰ উত্তৰাধিকাৰী জন্ম হৈয়ে থাকিছে।আৰু এই শতাব্দীত তেওঁ অসমৰ্থ। সেয়া মুছলমানসকলৰ কল্পনাৰ পৰা মুকলি হয়,আৰু অস্বীকাৰীসকলক

বাকী হাশিয়া ঃ

اے نیچر شوخ اِین چہ ایذاست   از دستِ تو فتنہ ہر طرف خاست
آن کس کہ رہِ کجت پسندِید   دیگر نہ گُزید جانبِ راست
لیکن چو زِ غور و فکر بینیم   از ماست مصیبتے کہ بر ما است
متروک شد است درسِ فرقان   زان روز ہجوم این بلاہا است
نیچر نہ باصلِ خویش بَد بُود   دینِ گم شُد و نُورِ عقل ہا کاست
برقطرہ نگون شُدند یک بار   رو تافتہ زان طرف کہ دریا است
برجنت و حَشَر و نَشَر خندند   کین قصّہٴ بعید از خِرَدہا است
چوں ذِکرِ فرشتگان بیائد   گوید خلافِ عقلِ ادنا است
اے سیّدِ سرگروہ این قوم   ہُشدار کہ پائے تو نہ بر جا است
پیرانہ سَر ایں چہ در سر افتاد   رو توبہ کُن ایں نہ راہِ تقواست
تَرسم کہ بدینِ قیاس یک روز   گوئی کہ خدا خیال بیجا است
اے خواجہ برو کہ فکرِ انسان   درکارِ خدا ز نوعِ سوَاد است
آخر ز قیاس ہا چہ خیزد   بنشین کہ نہ جائے شور وغوغا است
اے بندہٴ بصیرت از خدا خواہ   اسرار خدا نہ خوان یغما است

সত্য আৰু জীৱিত খোদাৰ প্ৰমাণ দিব পৰা যায় আৰু ইছলামৰ মৰ্যাদা আৰু সত্যতা জীৱিত নিদৰ্শনৰ সৈতে প্ৰমাণ কৰিব পৰা যায়,কোৰাণ কৰিমৰ মৰ্যাদা প্ৰকাশিত হয় আল্লাহৰ সূক্ষ্ম আৰু দাকায়েক কালাম প্ৰকাশিত হয়। ঐশী নিদৰ্শন প্ৰকাশিত হৈ আছে,আৰু ইছলামৰ সৌন্দৰ্য্য আৰু জ্যোতি আৰু কল্যাণ খোদা তা'লা নতুন ভাৱে তাৰ দৃশ্য দেখুওৱাই আছে। যাৰ চকু আছে সি দেখিব পাৰে,যাৰ মাজত সঠিক উৎসা আছে তেওঁ বিচাৰিব পাৰে,যাৰ মাজত অকণ পৰিমাণে আল্লাহ্ আৰু ৰছুলৰ প্ৰতি প্ৰীতি আছে সেইজন জাগ্ৰত হওক আৰু পৰীক্ষা কৰক,আৰু খোদা তা'লাৰ সেই পছন্দনীয় জমাতৰ অন্তৰ্ভুক্ত হৈ যাওক যাৰ বুনিয়াদী ইটা সেইজনাই নিজৰ হাতেৰে ৰাখিছে। আৰু এয়া কোৱা যে এতিয়া অহিৰ শৃঙ্খলা বন্ধ আৰু নিদৰ্শন প্ৰকাশ হ'ব নোৱাৰে, আৰু দোৱা গ্ৰহণীয় নহয় এয়া ধ্বংশৰ বাট হয় শান্তিৰ বাট নহয়।খোদা তা'লাৰ ফজলক ৰুদ্ধ নকৰিব,উঠা আৰু পৰীক্ষা-নিৰীক্ষণ কৰা তাৰ পিছত যদি পোৱা যে এয়া সাধাৰণ বুদ্ধিজীৱি আৰু সাধাৰণ জ্ঞান ৰখা আৰু সাধাৰণ কথাৰ মানুহ হয় তেন্তে গ্ৰহণ নকৰিবা,কিন্তু যদি আল্লাহৰ চমৎকাৰ দেখা পোৱা আৰু তাৰ হাতৰ উজ্জ্বলতা দেখিব পোৱা যি বিশ্বাসযোগ্যৰ অধিকাৰ আৰু ঐশী কালামৰ সৈতে প্ৰকাশ হৈ থাকে তেন্তে গ্ৰহণ কৰি লোৱা,আৰু নিশ্চিত ভাৱে বুজি লোৱা খোদা তা'লাৰ নিজৰ ভৃত্যৰ সৈতে ডাঙৰ কৃপা এয়া যে সেইজনা ইছলামক মৃত ধৰ্ম ৰাখিব নুখুজে,অৰ্থাৎ সদায় বিশ্বাস আৰু চিহ্নিত অভিযোগৰ পদ্ধতিসমূহ মুকলি ৰাখিব খোজে।এতিয়া তুমি চিন্তা-ভাৱনা কৰি চোৱা যদি কোনোবা নবুয়তৰ অহিৰ অস্বীকাৰকাৰী হয় আৰু এয়া কয় যে এনেকুৱা ধাৰণা কৰা তোমাৰ একেবাৰে সন্দেহজনক হয়,তেতিয়া তেওঁৰ মুখ বন্ধ হোৱা,তেওঁৰ আদৰ্শ দেখুৱাৰ বাহিৰে আৰু কি প্ৰমাণ হ'ব পাৰে? কিয় এয়া সুসংবাদ নে বা বেয়া সংবাদ যে ঐশী কল্যাণ মাথোন কেইবছৰ ইছলামৰ সৈতে আছিল তাৰ পিছত সেয়া শুকাণ আৰু মৃত ধৰ্ম হৈ গৈছে? এটা সত্য ধৰ্মৰ কাৰণে এয়া চিহ্ন হোৱা উচিত নে?

অৰ্থাৎ সঠিক ব্যাখ্যাৰ কাৰণে এয়া মৰ্য্যদা হয়। ইয়াত কোনো সন্দেহ নাই যে ছৈয়দ চাহাবৰ তফছিৰ এই সাত মৰ্য্যদাৰ পৰা বেছিৰ ভাগ স্থানত বঞ্চিত আৰু দুৰ্ভাগ্যজনক। আৰু এতিয়া এই সময়ত ইয়াৰ অস্বীকাৰ কৰা আমাৰ উদ্দেশ্য নহয়। ছৈয়দ চাহাবৰ আল্লাহৰ আইনৰ বৰ গৌৰৱ আছিল,কিন্তু নিজৰ তফছিৰত সেই আল্লাহৰ আইনৰ পদ্ধতি এৰি দিয়া হৈছে।উদাহৰণ স্বৰূপ,তাৰ এয়া বিশ্বাস যে

নবীসকলৰ অহি নিজৰ প্ৰকৃতিৰ ফিৰিস্তাৰ অবিহনে একোৱে নহয়।আৰু তাৰ মাজত আৰু খোদা তা'লাৰ মাজত ফিৰিস্তাৰ কোনো সম্পৰ্ক নাই । কিমান যে খোদা তা'লা আইনৰ পৰিপন্থী। আমি প্ৰকাশ্যে ভাৱে দেখিবলৈ পাও যে নিজৰ শৰীৰৰ শক্তি পৰিপূৰ্ণ কৰাৰ কাৰণে স্বৰ্গীয় পোহৰৰ ওপৰত নিৰ্ভৰযোগ্য। এই শাৰীৰিক শৃঙ্খলা প্ৰতিষ্ঠিত আৰু আমাৰ উদ্দেশ্য পূৰ্ণ কৰিবৰ কাৰণে খোদা তা'লা সূৰ্য্য চন্দ্ৰ আৰু তৰাসমূহ আৰু উপাদানসমূহ আমাৰ কাৰণে খেদমতত লগাইছে।আৰু কেইবা মধস্থতাৰ অনুসাৰী হৈ এই প্ৰাৰ্থনা আসক্তিৰ লাভালাভ আমালৈ পৌছায় আৰু কোনোবাৰ মাধ্যমে আমালৈ পৌছায়।উদাহৰণ স্বৰূপ আমাৰ চকুত পোহৰ খোদা তা'লাৰ পৰা পাও কাৰণ সেয়াই ইল্লতে আলিল হয়।কিন্তু সেয়া সূৰ্য্যৰ দ্বাৰা আমাৰ চকুলৈ আহে,আমি এটা বস্তুও প্ৰকাশ্য ভাৱে ব্যৱস্থাপনাত দেখিবলৈ নাপাও যাক খোদা তা'লা কোনো মাধ্যম অবিহনে নিজৰ কল্যাণমণ্ডিত হাত আমালৈ আগবঢ়ায়।অৰ্থাৎ প্ৰত্যেক বস্তু কোনোবাৰ মাধ্যমে আমি পাওঁ। আমি এয়াও দেখিবলৈ পাও যে আমাৰ প্ৰকাশ্য শক্তি পৰিপূৰ্ণ স্ৰষ্টাত নাই অৰ্থাৎ এনেকুৱা নহয় যে ভৱিষ্যৎলৈ জ্যোতিৰময় হৈ থাকিব আৰু আপোনাৰ প্ৰস্তাবিত ফিৰিস্তাৰ অহিৰ নিচিনা এনেকুৱা ফিৰিস্তা তাৰ মাজত থাকিব যি সূৰ্য্যৰ দ্বাৰা আমাক স্বাধীন কৰি দিব।আকৌ এই ছিষ্টামৰ পৰিপন্থী যুক্তিহীন কথা কেনেকৈ শুদ্ধ হ'ব পাৰিব।তাৰ বাহিৰে যে তাৰ নিজস্ব অভিজ্ঞতাৰ সাক্ষী যি সকলোবোৰ সাক্ষীৰ ওপৰত আপুনি সেই ৰায়ক কঠোৰ ভাৱে মিছলীয়া কৰি দিয়ে,কাৰণ এই অধম প্ৰায় এগাৰ বছৰৰ পৰা ঐশী কালাম প্ৰাপ্ত হৈ আছে আৰু এই কথা ভালদৰে জানে যে অহি প্ৰকৃতপক্ষে স্বৰ্গৰ পৰা অৱতীৰ্ণ হয়, অহিৰ উদাহৰণ যদি পাৰ্থিৱ বস্তুৰ কোনো বস্তুৰ সৈতে দিয়া হয়।সেয়া যথা সম্ভৱ বৈদ্যুতিক তাৰৰ সদৃশ যিয়ে প্ৰত্যেক পৰিৱৰ্তনৰ সংবাদ প্ৰেৰণ কৰে। মই দেখিব পাৰিছোঁ যে সেই অহিৰ সময়ত যি অহি মোৰ ওপৰত অৱতীৰ্ণ হয়। এক বহিৰাগত আৰু প্ৰচুৰ প্ৰভাৱশালী যেন অনুভৱ হয়।আৰু মাজে সময় ইমান শক্তিশালী হয় যে মোক জেউতিৰ মাজত এনেকুৱা ভাৱে আৱদ্ধ কৰি দিয়ে তেতিয়া মই দেখিবলৈ পাও মোক তাৰ ফালে এনেকুৱা ভাৱে টানি আছে যে মোৰ কোনো শক্তিয়ে তাৰ মোকাবিলা কৰিব পৰা নাই। তেতিয়া মই প্ৰকাশ্য আৰু উজ্জ্বলময় কালাম শুনিবলৈ পাও। কেতিয়াবা ফিৰিস্তাক দেখিবলৈ পাও*

* নোটঃ মাথোন ইমানখিনিয়ে নহয় যে কেতিয়াবা ফিৰিস্তা দেখিবলৈ পোৱা যায়,কেতিয়াবা ফিৰিস্তা কালাম কৰোঁতে নিজৰ মাধ্যম প্ৰকাশ কৰি দিয়ে।

আৰু সচাঁকৈয়ে যি প্ৰভাৱ আৰু পৰিস্থিতি হয় সেয়া চাই থাকো আৰু কালাম মাজে সময়ে অদৃশ্যৰ কথাৰ সৈতে অন্তৰ্ভুক্ত হয়,আৰু এনেকুৰা পৰিস্থিতি বাহিৰৰ আহৰণ হয়, যাৰ পৰা খোদা তা'লাৰ প্ৰমাণ পোৱা যায়। এতিয়া ইয়াৰ অস্বীকাৰ কৰা মুকলি ভাৱে সততাক হত্যা কৰা।

যথা সম্ভৱ ছৈয়দ চাহাবৰ মৃত্যুৰ পূৰ্বে যেন এই সততাক তেওঁ মানি লয়, আৰু স্বৰ্গীয় অহিক লাঞ্চিত নকৰে,পৰিতাপৰ বিষয় যে তেওঁ প্ৰকাশ্য ছিষ্টামক তেওঁ দেখে,কিন্তু ভিতৰুৱা ছিষ্টামক তাৰ ওপৰত চিন্তা-ভাৱনা নকৰে,নুবুজে যে সেই খোদা যিজনা আমাৰ শাৰীৰিক ছিষ্টামক এনেকুৰা বনোৱাইছে যে প্ৰকাশিত স্বৰ্গীয় পোহৰ আমাৰ কাৰণে অৱতীৰ্ণ হয়। আৰু সঠিক প্ৰভাৱ স্বৰ্গীয় পদ্ধতিৰ জৰিয়তে আমাৰ শাৰীৰিক শক্তিৰ ওপৰত নিজৰ কল্যাণ অৱতীৰ্ণ কৰে। আৰু কোনো মাধ্যম অবিহনে তাৰ ফজল অৱতীৰ্ণ কৰা তাৰ অভ্যাসেই নহয়,তেন্তে কি কাৰণত সেই খোদা তা'লা আধ্যাত্মিক ছিষ্টামত এই শৃঙ্খলাৰ পৰা আমাক পৃথক ৰাখি দিব। শাৰীৰিক হিচাবে আমি এই শৃঙ্খলাৰ পৰা পৃথক নে ? বা কোনো এক শৃঙ্খলাৰ এক মাধ্যমত আৱদ্ধ হৈ আছে।যি প্ৰাৰ্থনাৰ আসক্তিৰ পৰা আৰম্ভ হৈ আমালৈ পৌছায়। এই যুক্তি-তৰ্কৰ ওপৰত চিন্তা-ভাৱনা কৰাৰ কাৰণে আমাৰ পুস্তক "তৌজি মৰাম" আৰু "আইনা কামালাতে ইছলাম" অধ্যায়ন কৰা দৰকাৰ বিশেষ কৰি ফিৰিস্তাৰ প্ৰয়োজনীয় সন্দৰ্ভত যিমান শক্তিশালী যুক্তি আইনা কামালাতে ইছলামত আছে তাৰ সমতুল্য বেলেগ কিতাপত নাপাব। আৰু ছৈয়দ চাহাব খোদা তা'লাৰ প্ৰতি কিমান আসক্ত সেয়া জানিবলৈ হলে তাৰ কথাখিনিয়েই যথেষ্ট যে সেই স্ৰষ্টাবোৰক প্ৰকৃত নিয়তৰ আৰু শাসনৰ পৰা গুৰুত্বহীন কৰি ৰহিছে। তেওঁ নেজানে যে খোদা তা'লাৰ অস্তিত্ব তাৰ পৰিপূৰ্ণ শক্তিৰ সৈতে সম্পৰ্কযুক্ত, আৰু কুদৰত(ক্ষমতা) সেই বস্তুৰ নাম হয় যে তাৰ মীমাংসা তাৰ স্ৰষ্টাবোৰৰ ওপৰত সদায় সীমাবদ্ধহীন। এয়া সত্য যে সেই স্ৰষ্টাক তেওঁ সৃষ্টি কৰিছে,আৰু নিজৰ সীমাবদ্ধহীন জাতিৰ নিচিনা সীমাহীন তাছৰৰুফাত (মীমাংসা) নিশ্চয় ৰাখিছে।যাতে কোনো শ্ৰেণীৰ ওপৰত তাৰ অস্তিত্ব বন্ধ নাথাকে*।

***হাশিয়া** ঃ এই কথা মান্য কৰাত যে খোদা তা'লা তাৰ সৃষ্ট প্ৰকৃতিৰ কামত সীমাহীন ভাৱে হস্তক্ষেপৰ ক্ষমতা ৰাখে,তেতিয়া এটা অভিযোগ উত্থাপন হ'ব পাৰে যে আমি তেতিয়া বস্তুৰ

আৰু যদি নাউজুবিল্লাহ আৰিয়া হিন্দুসকলৰ কথাই সঁচা হৈ থাকে যে ঈশ্বৰ আত্মাসমূহৰ সৃষ্টিকৰ্তা নহয়,পৃথিৱীৰ সকলো অণু-পৰামানুৰও সৃষ্টিকৰ্তাও নহয়,যদি এনেকুৱা হয় তেন্তে নিঃসন্দেহ ঈশ্বৰ কিছু পৰ্যায়ত দুৰ্বল জ্ঞান বুলি গন্য হৈ যাব,আৰু লাঞ্ছনাৰ সৈতে পৰ্দাৰ ভিতৰত আৱদ্ধ হৈ পৰিব। আমাৰ খোদা এনেকুৱা নহয়।সেইজনা সকলোবোৰ অণু-পৰমাণু,আত্মা আৰু সকলোবোৰ জীৱৰ সৃষ্টিকৰ্তা,তাৰ ক্ষমতাৰ ওপৰত যদি কোনো প্ৰশ্ন দাঙি তোলা হয় তেন্তে এই বিশেষ কথাৰ বাহিৰে যি তাৰ পৰিপূৰ্ণ গুণাগুণ আৰু প্ৰতিশ্ৰুত ছাদকাৰ পৰিপন্থী। বাকী সকলোবোৰ

বাকী হাশিয়া ঃ-গুণাগুণৰ অপৰিবৰ্তনীয় স্থায়িত্বৰ বিষয়ে নিশ্চিত হ'ব পাৰিনে ? আমি কি ভাৱিব পাৰি যে নিজৰ ক্ষমতা বুলি পানীৰ গুণাগুণক ৰহিত কৰি আল্লাহ তা'লাই সেই স্থলত বায়ুৰ গুণাগুণক স্থাপন কৰি দিব ? অথবা বতাহক ইয়াৰ গুণাগুণৰ সৈতে বঞ্চিত কৰি সেই স্থলত জুইৰ গুণাগুণ স্থাপন কৰিব। অথবা তাৰ অৱগত গুপ্ত কাৰণসমূহক অলপ ইফাল-সিফালে ব্যৱহাৰ কৰি অগ্নি প্ৰকৃতিত পৰিৱৰ্তন কৰিব ? অথবা মাটিৰ গভীৰ স্তৰত বিপত্তি সৃষ্টি কৰি ইয়াক সোণত ৰূপান্তৰিত কৰিব বা সোণক মাটিত ? তেতিয়া তাৰ পৰা বিশ্বাস উঠি যাব,আৰু জ্ঞান অভিজ্ঞতা বিনষ্ট হৈ যাব। এতিয়া এই প্ৰশ্নৰ উত্তৰ এয়া যে এই কল্পনা কৰা একেবাৰে ভুল,কাৰণ আমি দেখিবলৈ পাও যে খোদা তা'লা নিজৰ গুপ্ত জ্ঞানৰ উপাদানসমূহৰ হস্তক্ষেপ ইত্যাদিত শত শত পৰিৱৰ্তন হৈ থাকে,এই ভূমিক চোৱা যে নতুন নতুন গুণাৱলী লাভ কৰি আছে আৰু নতুন নতুন বস্তু প্ৰদান কৰি আছে, এখন আৰ্ছেনিক,এখন আলোকদীপ্ত পাথৰ,কেতিয়াবা সোণ,ৰূপ,হীৰা ইত্যাদি।আৰু এনেকুৱাই বাষ্পীয় যি আকাশৰ বাতাবৰণত সৃষ্টি হয় আৰু সেই বাষ্পীয়ৰ পৰা বৰফ পৰে আৰু তাৰ পৰা শিলাবৃষ্টি সৃষ্টি হয়,আৰু তাৰ পৰা বিদ্যুত আৰু বজ্ৰধ্বনি উৎপন্ন হয়,আৰু এয়াও প্ৰমাণীত হয় যে কেতিয়াবা আকাশৰ বাতাবৰণৰ পৰা ছাই অৱতীৰ্ণ হয়,এই অৱস্থাৰ পৰা জ্ঞান গুপ্ত হৈ যায়নে বা বিশ্বাস উঠি যায় ? আৰু যদি এয়া কোৱা হয় যে এই বস্তুত খোদা তা'লা পূৰ্বৰ পৰাই তাৰ বৈশিষ্টত এই সকলোবোৰ পৰিৱৰ্তনৰ পদাৰ্থ ৰাখিছে তেতিয়া আমাৰ এয়াই উত্তৰ হ'ব যে আমি কেতিয়া আৰু কোন সময়ত কৈছো যে এই সমাপ্ত হ'বলগীয়া বস্তু-বাহিনীত এনেকুৱা পদাৰ্থ ৰখা হোৱা নাই। অৰ্থাৎ সঠিক আৰু সত্য ধৰ্ম এয়াই হয় যে খোদা তা'লা যিয়ে নিজৰ অস্তিত্বত একত্ব,সকলোবোৰ বস্তুক এটা বস্তুৰ নিচিনা সৃষ্টি কৰিছে, যাতে সেইসমূহ এক একত্ববাদৰ ওপৰত প্ৰমাণীত কৰিব পাৰে।গতিকে খোদা তা'লা এই একত্ববাদ হিচাপে আৰু নিজৰ ক্ষমতা সীমাহীন হোৱাৰ দক্ষতা পৰিৱৰ্তন হোৱা পদাৰ্থত ৰাখিছে। আৰু সেই আত্মাসমূহৰ বাহিৰে যি নিজৰ সুখ আৰু মধস্থতাত "খালিদিনা ফিহা আবাদা" (চুৰা জিন আয়াত ২৪)ৰ সত্যায়ণ কৰে,আৰু আল্লাহৰ প্ৰতিশ্ৰুতি চিৰকালৰ বাবে এক অপৰিৱৰ্তনশীল স্ৰষ্টা সিহঁতৰ বাবে নিৰ্ধাৰণ কৰি দিছে। বাকী কোনো বস্তু স্ৰষ্টাৰ পৰা পৰিৱৰ্তন নোহোৱা বুলি জানিব পৰা নাযায়,অৰ্থাৎ যদি

কামত তেওঁৰ ক্ষমতা আছে।কিন্তু এই কথা সঁচা যে তেওঁ সৰ্বশক্তিমান কিন্তু কৰিব নুখুজে এয়া এক বিনা কাৰণত অভিযোগ উত্থাপন কৰে,অথচ তাৰ গুণাৱলীত “কুল্লু ইয়াওমিন ফি শ্বানিন” (চুৰা আৰ-ৰহমান আয়াত ৩০)ৰ অন্তৰ্ভুক্ত।আৰু এনেকুৱা হস্তক্ষেপত যে পানীৰ পৰা ঠাণ্ডা আঁতৰ কৰিব বা জুইৰ পৰা তাপৰ বৈশিষ্ট শেষ কৰি দিব,তাৰ পৰিপূৰ্ণ গুণাৱলী আৰু প্ৰতিশ্ৰুতি ছাদকাৰ পৰিপন্থী হয়।তেন্তে কিয় জবৰদস্তী কোৰা হ’ব যে চিৰকালৰ বাবে তাৰ ওপৰত বাধ্যবাধকতা হৈ গৈছে যে সেই বস্তুসমূহৰ বৈশিষ্টত কেতিয়াও হস্তক্ষেপ নকৰিব।

বাকী হাশিয়া ঃ-চিন্তা-ভাৱনা কৰি চোৱা হয়,সদায় প্ৰত্যেক শৰীৰত অৱস্থাৰ পৰিৱৰ্তনৰ কাম কৰি আছে। যথা সম্ভৱ বৈজ্ঞানিক সকলে আবিষ্কাৰৰ ফলত এয়া প্ৰমাণীত কৰিছে যে তিনি বছৰলৈকে মানুহৰ শৰীৰ পৰিৱৰ্তন হৈ যায়। আৰু প্ৰথম শৰীৰ সূক্ষ্ম পদাৰ্থ হৈ উৰি যায়,উদাহৰণস্বৰূপ পানী বা জুই সেয়াও পৰিৱৰ্তন নোহোৱাকৈ নাথাকে,আৰু দুই ধৰণৰ পৰিৱৰ্তন সেইসমূহৰ ওপৰত শাসনতা কৰি আছে।এটা এয়া যে কিছুমান উপাদান ওলাই পৰে আৰু কিছুমান আহি মিলিত হয়। দ্বিতীয় এয়া যে যি উপাদান অদৃশ্য হয় সেয়া তাৰ শক্তি অনুযায়ী দ্বিতীয় অস্তিত্ব লাভ কৰে। অৰ্থাৎ এই মৰনশীল পৃথিৱীক পৰিৱৰ্তনশীল বৃত্তৰ ওপৰত উঠাই ৰখা খোদা তা’লাৰ এক ছুন্নত হয়।আৰু এবাৰ চকু মেলি চালে জানিব পৰা যায় যে,এই সকলোবোৰ বস্তু আৰম্ভণীৰ ঐক্যৰ সুবিধা নিজৰ আচল প্ৰকৃতিত একেই। মানুহ কেতিয়াও এই পৰিৱৰ্তন আৰু ৰূপান্তৰৰ পূৰ্ণ জ্ঞানৰ লাভত সমৰ্থ নহয়।সৰ্বজ্ঞানী আল্লাহ তা’লাৰ সৃষ্টিৰ ৰসস্যাৱলী ও সূক্ষ্ম তাৎপৰ্যৰ জ্ঞানৰ গভীৰ কাৰোবাক অংশী কৰা নাই।

আপুনি প্ৰশ্ন উত্থাপন কৰিব পাৰে যে নক্ষত্ৰসমূহৰ পৰিৱৰ্তন ক’ত ঘটে ? তেতিয়া মোৰ উত্তৰ হয়,হ্যা তাতেও পৰিৱৰ্তন ঘটে, আমি নাজানো সেয়া বেলেগ কথা। সেই কাৰণে সকলোবোৰ একদিন বিলীন ও নিঃশেষ হৈ যাব। ইয়াৰ বাহিৰে হাজাৰ বস্তুৰ পৰিৱৰ্তনৰ ফালে দৃষ্টি নিক্ষেপ কৰিলে প্ৰমাণীত হয় যে কোনো বস্তু পৰিৱৰ্তন অবিহনে নাই। গতিকে সৰ্বপ্ৰথম তুমি ভূমিৰ পৰিৱৰ্তনৰ অস্বীকাৰ কৰি লোৱা তাৰ পিছত আকাশৰ কথা ক’ব।

تو کار زمین را نکو ساختی   کہ با آسماں نیز پرداختی

অৰ্থাৎ দুনিয়াৰ কাম-কাজ যেতিয়া আমি প্ৰত্যেক দিন প্ৰত্যক্ষ কৰো তেতিয়া আল্লাহৰ অস্তিত্বৰ বিষয়ে এয়া জানিব পৰা যায় যে এই সকলোবোৰ বস্তুৰ আৰম্ভণী একেই আৰু খোদা তা’লাৰ পৰিপূৰ্ণ অস্তিত্ব তেতিয়াই প্ৰতিষ্ঠিত থাকিব পাৰে যেতিয়া সূক্ষ্ম সূক্ষ্ম পদাৰ্থ পৰিপূৰ্ণ হয় তেতিয়া এই অভিযোগ যে এই পৰিৱৰ্তনৰ পৰা বিশ্বাস উঠি যাব আৰু জ্ঞান বিনষ্ট হৈ যাব এয়া ভুল নহয় যদি আৰু কি ? আৰু আমি কওঁ যে আল্লাহ তা’লা সৰ্বশক্তিমান হয় যে পানীৰ পৰা জুইৰ কাম

আমি কোন হয় যে এই বিষয়ত মীমাংসা দান কৰো আৰু কওঁ যে এতিয়া আল্লাহ বস্তুৰ গুণাৱলীত পৰিৱৰ্তন সাধন নকৰে ? আমাৰ এয়া কোৱা কি কাৰণ বা যুক্তি আছে আল্লাহৰ অসীম ক্ষমতাৰ ওপৰত আমি কি ভাৱে সীমা অতিক্ৰম কৰিব পাৰি। জানিব পৰা যায় যে এই বিজ্ঞাপনত ছৈয়দ চাহাবেও সেই দুৰ্বলতাক বুজি

বাকী হাশিয়া ঃ-লোৱা হয় বা জুইৰ পৰা পানীৰ কাম,ইয়াৰ এয়া অৰ্থ নহয় যে নিজৰ জ্ঞান পৰিৱৰ্তন নোহোৱাকৈ ইয়াত হস্তক্ষেপ নকৰিব,গতিকে জ্ঞানৰ সৈতে কাম কৰাহঁক, কাৰণ খোদা তা'লাৰ কোনো কাম একত্ৰিত জ্ঞানৰ পৰা বঞ্চিত নহয়,অৰ্থাৎ আমাৰ এয়াই উদ্দেশ্য যে যিসময়ত সেই পানীৰ দ্বাৰা জুইৰ কাম বা জুইৰ দ্বাৰা পানীৰ কাম লোৱা উচিত তেতিয়া নিজৰ জ্ঞান কামত লগাব যি এই পৃথিৱীত সূক্ষ্ম সূক্ষ্ম বস্তুৰ ওপৰত অধীনস্থ হয়। আমি ইয়াৰ ফালে অৱগত হওঁ বা নহওঁ এয়া প্ৰকাশ্য যে যি সঠিক বুদ্ধিৰ সৈতে কাম কৰে সেয়া জ্ঞানক নষ্ট কৰিব নোৱাৰে,অৰ্থাৎ সেই জ্ঞানৰ পৰা তাৰ উন্নতি সাধিত হয়।চাওঁক কৃতিম হিচাপে পানীৰ দ্বাৰা বৰফ তৈয়াৰ কৰা হয় বা বিদ্যুত ৰ পোহৰ উৎপন্ন কৰা হয়,তেন্তে ইয়াৰ পৰা বিশ্বাস শেষ হৈ যাবনে বা জ্ঞান বিনষ্ট হৈ যাব নে ?

ইয়াৰ পৰা আৰু এটা গুপ্ত স্মৰণ ৰখা উচিত আৰু সেয়া এই যে আউলিয়া সকলৰ জৰিয়তে যি অসাধাৰণ প্ৰকাশিত হয় যে পানী সিহঁতক ডুবাব নোৱাৰে,আৰু জুই সিহঁতক ক্ষতি কৰিব নোৱাৰে। ইয়াৰ মাজতো সঁচাকৈয়ে এয়া ৰহস্য আছে যে খোদা তা'লা যাৰ সমাপ্তহীন গুপ্তৰ বিষয়ে মানুহ জানিব নোৱাৰে,কেতিয়াবা নিজৰ ভৃত্য আৰু কাষতীয়া সকলৰ আকৃষ্টৰ ফলত কেতিয়া নিজৰ শক্তিৰ দৃশ্য দুনিয়াত দেখুওৱায়।আৰু যি এনেকুৱা গুপ্ত কাৰণ একত্ৰিত হোৱাত যেনেকুৱা জুই নিজৰ তাপৰ প্ৰভাৱৰ পৰা বৈ যাব পাৰে যদিওবা সেয়া বৈজ্ঞানীকসকলৰ প্ৰভাৱ হয় বা জুইৰ নিজৰ গুপ্ত বৈশিষ্ট বা নিজৰ শৰীৰৰ কোনো গুপ্ত বৈশিষ্ট বা এই সকলোবোৰ বৈশিষ্টৰ ঐক্য হয়,সেই কাৰণসমূহ এই ধ্যান আৰু দোৱাৰ ফলত প্ৰভাৱ বিস্তাৰ কৰে।তেতিয়া এক অসাধাৰণ কাৰ্যকলাপ প্ৰকাশ হয়। কিন্তু তাৰ ফলত সঠিক বস্তুৰ ভৰসা সমাপ্ত নহয়,আৰু জ্ঞান বিনষ্ট নহয়। অৰ্থাৎ এয়া আল্লাহৰ জ্ঞানৰ মাজৰে এক জ্ঞান হয় আৰু এয়া নিজৰ স্থানত থাকে উদাহৰণস্বৰূপ,জুইৰ বৈশিষ্ট জ্বলাই দিয়া নিজৰ স্থানত,অৰ্থাৎ এয়া বুজি লোৱা যে এয়া আধ্যাত্মিক সন্তুষ্টি হয়,যি জুইৰ ওপৰত বিজয় লাভ কৰি নিজৰ প্ৰভাৱ দেখুওৱায় আৰু নিজৰ সময় আৰু নিজৰ স্থানৰ সৈতে থাকে।এই সূক্ষ্মক দুনিয়াৰ জ্ঞানীসকলে বুজিব নোৱাৰে যে মানৱ পৰিপূৰ্ণ খোদা তা'লাৰ দৃশ্য দেখিব পাৰে আৰু যেতিয়াই কোনো পৰিপূৰ্ণ মানুহৰ ওপৰত এনেকুৱা সময় আহে যে তেওঁ এই দৃশ্য দেখিবলৈ সক্ষম হয়,সেই সময়ত প্ৰত্যেক বস্তুয়ে তাৰ প্ৰতি এনেকুৱা ভীতিমূলক হয় যেনেকুৱা খোদা তা'লাৰ সৈতে ভীতি হয়। সেই সময়ত তাক পশুৰ সন্মুখলৈ ঠেলি দিয়া, জুইৰ মাজত সোমাই দিয়া,তেতিয়া কোনো ধৰণৰ ক্ষতি সাধন কৰিব নোৱাৰে।কাৰণ সেই সময়ত খোদা

পাইছে, এই কাৰণে নিজৰ যুক্তিহীন কথা প্ৰস্তাৰ কৰাৰ কাৰণে তেওঁ আৰু এটা যুক্তিহীন কথা উত্থাপন কৰিছে, আৰু সেয়া এই যে কোৰাণ কৰিমত খোদা তা'লা কোন স্থানত জুই গৰম হোৱাৰ কথাৰ ফালে ইঙ্গিত কৰিছে আৰু কোন ঠাইত পামী ডাঙা হোৱাৰ কথাৰ ফালে ইঙ্গিত কৰিছে। আৰু কেতিয়া কৈছেনে সূৰ্য্য পূবৰ পৰা পশ্চিমৰ ফালে যায়। এইবোৰ বৰ্ণনা যি বৰ্তমান অৱস্থাৰ ফালে প্ৰকাশিত হয় ছৈয়দ চাহাবৰ দৃষ্টিত সেয়া এক প্ৰতিশ্ৰুতি হয়, যাৰ মাজত কোনো পৰিৱৰ্তন সাধিত হোৱা সম্ভৱ নহয়। যদি অমৌলিক যুক্তিৰ এয়াই পদ্ধতি হয় তেন্তে ছৈয়দ চাহাবৰ ওপৰত বৰ অসুবিধা হৈ পৰিব তেতিয়া তেওঁ মানিবলৈ বাধ্য হ'ব লাগিব যে সকলোবোৰ কোৰাণ কৰিমৰ বৰ্ণনা প্ৰতিশ্ৰুতিৰ অন্তৰ্ভুক্ত। উদাহৰণ স্বৰূপ, খোদা তা'লা যি হজৰত জাকাৰিয়া (আঃ)ক সু-সংবাদ প্ৰদান কৰিছিল যে "ইন্নি নুবাশ্বিৰুকা বিগুলামিন" (চুৰা মৰিয়ম আয়াত ৮)। অৰ্থাৎ নিয়ম অনুসাৰী ছৈয়দ চাহাবৰ উচিত আছিল যে হজৰত ইয়াহিয়া (আঃ) সদায় গোলাম অৰ্থাৎ ল'ৰা হৈয়ে থাকিব,কাৰণ খোদা তা'লা হজৰত ইয়াহিয়া (আঃ)ক গোলাম বুলি মাতিছিল।আৰু এয়া প্ৰতিশ্ৰুতি হৈ গ'ল।এনেকুৱা আৰু ২০ ৰো অধিক উদাহৰণ আছে যাক বৰ্ণনা কৰা মাথোন সময় নষ্ট। যদি ছৈয়দ চাহাবৰ দৃষ্টিত ঘটনাসমূহ বৰ্ণনা কৰাত ভৱিষ্যৎৰ কাৰণে আৰু চিৰকালৰ বাবে কোনো প্ৰতিশ্ৰুতিৰ আৱশ্যকতা আহি যায় তেতিয়া তাৰ পৰা ভীতি হোৱা উচিত যে এনেকুৱাই তেওঁ কথা কথাত মানুহৰ ওপৰত অপবাদ লগাব। আৰু বৰ্তমান ঘটনাক বৰ্ণনা কৰাটোক এক চিৰস্থায়ী প্ৰতিশ্ৰুতি বুলি বুজি ল'ব। মোৰ দৃষ্টিত উত্তম হ'ব যে ছৈয়দ চাহাব নিজৰ শেষ দিনক স্মৰণ কৰি কিছু দিন এই অধমৰ ওচৰত থাকক। কাৰণ মই আল্লাহৰ পৰা প্ৰেৰিত হওঁ, আৰু সু-সংবাদকাৰী হওঁ। এই কাৰণে মই প্ৰতিশ্ৰুতি কৰো যে ছৈয়দ চাহাবক সন্তুষ্টিৰ কাৰণে আকৃষ্ট কৰিম। আশা কৰো যে খোদা তা'লা কোনো এনেকুৱা নিদৰ্শন দেখুৱায় যেন ছৈয়দ চাহাবৰ প্ৰস্তাৱিত আইন একেবাৰে মাটিৰ সৈতে মিলাই দিয়ক। এই ধৰণৰ কাৰ্যকলাপ এতিয়া বহু পৰিমাণে প্ৰকাশিত হৈছে যে যি ছৈয়দ চাহাবৰ দৃষ্টিত খোদা তা'লাৰ আইনৰ পৰিপন্থী। কিন্তু সেয়া বৰ্ণনা কৰা অলাভদায়ক যে ছৈয়দ চাহাব তাক এক কাহানি বুলি জ্ঞান কৰিব। ছৈয়দ চাহাব অহিৰ ভৱিষ্যৎবাণীৰো অস্বীকাৰকাৰী যি ইলহামৰ জৰিয়তে আল্লাহৰ আউলিয়াসকলে জানিব পাৰে।আৰু তাৰ দৃষ্টিত সেয়া আল্লাহৰ আইন বিৰোধী হয়,যেনেকুৱা জুইৰ নিজৰ বৈশিষ্ট্য যে জ্বলাই দিয়া। এনেকুৱাই

দোৱাৰ নিজস্ব প্ৰভাৱ যাৰ জৰিয়তে সেই উদ্দেশ্য পৰিপূৰ্ণ হয় যাৰ বাবে দোৱা কৰা হৈছিল। ছৈয়দ চাহাবৰ দৃষ্টিত খোদা তা'লাৰ আইন বিৰোধী হয়। ছৈয়দ চাহাব যদি মোৰ ওচৰলৈ আহিব নোৱাৰে তেন্তে এই দুয়ো কথাত প্ৰতিশ্ৰুতিৰ অধিকাৰ গ্ৰহণ কৰি মোক অনুমতি দিয়ক যে তেওঁৰ সম্পৰ্কে আল্লাহৰ ফালৰ পৰা যি প্ৰকাশিত হ'ব সেয়া প্ৰকাশ কৰো তাৰ পৰা সাধাৰণ মানুহ উপকৃত হ'ব পাৰিব। যদি ছৈয়দ চাহাবৰ ৰায় সঁচাকৈয়ে শুদ্ধ তেতিয়া মই নিজৰ উদ্দেশ্যত সফলপ্ৰাপ্ত হ'ব নোৱাৰিম। নতুবা ছৈয়দ চাহাবৰ বেয়া আকিদা (বিশ্বাসক)ৰ পৰা মুক্তি পাই নিজৰ মহান খোদা তা'লাক চিহ্নিত কৰিব পাৰিব আৰু ভালপোৱাৰ সৈতে তাৰ ফালে উন্নতি যাব। আৰু দোৱাৰ সময়ত খোদা তা'লাৰ কৃপাৰ পৰা নিৰাশাবোধ নহ'ব। আৰু হাত উঠোৱাৰ সময়ত সন্তুষ্টি অনুভৱ কৰিব।আৰু খোদা তা'লাৰ অস্তিত্ব চিনি পোৱাৰ লাভালাভ এয়া যে আমাৰ দোৱা গ্ৰহণ কৰিব আৰু খোদা তা'লা নিজৰ অস্তিত্বৰ দ্বাৰা আমাক সংবাদ প্ৰেৰণ কৰিব। এয়া নহয় যে আমি হেজাৰ হেজাৰ কষ্টৰ সন্মুখীন হৈ এটা মূৰ্তিৰ নিচিনা এক হৃদয় প্ৰতিষ্ঠিত কৰো। যাৰ আহ্বান আমি শুনিব নোৱাৰো আৰু তাৰ শক্তিৰ দৃশ্য আমি দেখিব নোৱাৰো। নিঃসন্দেহ বুজি লোৱা যে সেই সৰ্বশক্তিমান খোদা আছে যি সকলো বস্তুৰ ওপৰত ক্ষমতা ৰাখে।

ـ وما غلت ایدیه بل یداه مبسوطتان ینفق کیف یشاء ویفعل ما یرید ـ وهو علٰی کل شیء قدیر ـ وأخر دعوانا ان الحمد لله رب العالمین ـ

বাকী হাশিয়া ঃ-তা'লাৰ আত্মা তাৰ সৈতে থাকে আৰু প্ৰত্যেক বস্তু তেতিয়া তাৰ পৰা ভয় কৰিব ধৰে। এই খোদাভীৰু সকলৰ শেষ ৰহস্য,যি পৰিপূৰ্ণ আল্লাহৰ কাষতীয়া সকলৰ বাহিৰে বুজা সম্ভৱপৰ নহয়।কাৰণ এয়া বৰ সূক্ষ্ম ঘটনা হয়, এই কাৰণে এয়া বুজি পোৱা সকলোৰে বাবে সম্ভৱ নহয়। কিন্তু স্মৰণ ৰাখিবা প্ৰত্যেক বস্তু খোদা তা'লাৰ আহ্বানক শ্ৰৱণ কৰে,প্ৰত্যেক বস্তুৰ ওপৰত খোদা তা'লাৰ দৃষ্টি থাকে।আৰু সকলোবোৰ বস্তুৰ চাবি খোদা তা'লাৰ হাতত আছে,এই জ্ঞান এক সমাপ্তহীন জ্ঞান হয় যি সকলোবোৰ ক্ষুদ্ৰ বস্তুলৈকে গৈ পায়।

رُوئی دلبر از طلبگاراں نمی دارد حجاب   می درخشد در خورو می تابد اندر ماہتاب
لیکن آن روئی حسین از غافلاں ماندنہاں   عاشقی باید کہ بردارند از بہرش نقاب
دامن پاکش زِنخوت ہا نمی آید بَدَست   ہیچ راہی نیست غیراز عجزودرد و اِضطراب
بس خطرناک است راہِ کوچہ یارِ قدیم   جاں سلامت بایدت ازخودروی ہاسر بتاب
تا کلامش فہم وعقلِ ناسزایاں کم رسد   ہر کہ ازخودگم شود اویا بداں راہِ صواب
مشکلِ قرآن نہ از ابناء دنیا حل شود   ذوق آں می داندآں مستی کہ نوشدآں شراب
اَیکہ آگاہی ندادندت ز انوارِ دروں   درحقِ ماہر چہ گوئی نیستی جائے عتاب
از سرِ وعظ ونصیحت این سخن ہا گفتہ ایم   تا مگر زین مرہمی بہ گردد آں زخمی خراب
از دعا کن چارۂ آزارِ انکارِ دعا   چون علاج می زمی وقت خمارو التہاب
اَیکہ گوئی گر دعاہا را اثربودی کجاست   سوئی من بشتاب بنمایم ترا چون آفتاب
ہان مکن انکارزین اسرارقدرت ہائی حق   قصہ کوتہ کن بہ بیں از ما دعائے مستجاب

-

বাকী হাশীয়াঃ-ইমানখিনি বৈশিষ্ট আছে যিমান তাৰ শক্তি আছে। যি ব্যক্তি ইয়াৰ ওপৰত বিশ্বাস স্থাপন নকৰে তেওঁ এই দলত অন্তৰ্ভুক্ত নহয়।"মা কাদাৰাল্লাহা হাক্কা কাদৰিহি" (চুৰা আনাম আয়াত ৯২) ৰ সত্যায়ণ কৰে,আৰু মানুহ সম্পূৰ্ণ ভাৱে প্ৰকাশিত গোটেই দুনিয়াৰ হয় এই কাৰণে গোটেই বিশ্ববাসী তাৰ ফালে সময়ে সময়ে আকৰ্ষিত হৈ থাকে। তেওঁ আধ্যাত্মিক জগতৰ এক আনকবুত হয় আৰু গোটেই পৃথিৱী তেওঁৰ তাৰ হয়,আৰু অসাধাৰণৰ এয়াই গুপ্ত হয়।

بر کاروبار ہستی اثری صد عارفان را   زجہان چہ دیدآن کس کہ ندید این جہان را

পণ্ডিত লেখৰাম সম্পৰ্কে আৰু এটা সংবাদ

আজি ২ এপ্ৰিল চন ১৮৯৩,১৪ ৰমজান মাহ ১৩১০ হিজৰী হয়, ৰাতিপুৱাৰ সময় নিদ্ৰালু অৱস্থাত মই দেখিব পাও যে এখন বহল কোঠালিৰ মাজত বহি আছো আৰু কিছুমান বন্ধু মোৰ ওচৰত বহি আছে,ইমান সময়তে এজন শক্তিশালী ভয়ানক চেহেৰা যাৰ চেহেৰাৰ পৰা ৰক্ত বৈ আছিল মোৰ সন্মুখত আহি থিয় হয়। মই মোৰ দৃষ্টি উঠাই চালো তেতিয়া জানিব পাৰিলোঁ যে সেইজন এজন নতুন সৃষ্টি আৰু তেওঁ উত্তৰ ফালৰ মানুহ যথা সম্ভৱ মানুহ নহয় ফিৰিস্তা হয় আৰু তাৰ প্ৰতি ভয় হৃদয়ঙ্গম কৰি গৈছে আৰু মই তাক চাইয়ে আছিলো তেওঁ মোক সুধিলে যে লেখৰাম ক'ত আছে, তেওঁ আৰু এজনৰ নাম লৈ কয় যে তেওঁ ক'ত আছে,তেতিয়া মই বুজিব পাৰিলো যে এই ব্যক্তি লেখৰাম আৰু দ্বিতীয় ব্যক্তিৰ শাস্তিৰ বাবে প্ৰেৰণ কৰা হৈছে,কিন্তু মই জানিব নোৱাৰিলোঁ যে সেই দ্বিতীয় ব্যক্তি কোন হয়।কিন্তু নিশ্চিত ভাৱে এয়া মনত পৰে যে সেই দ্বিতীয় ব্যক্তি এইবিলাক কিছুমান মানুহৰ মাজৰে আছিল যিসকলৰ বিষয়ে মই বিজ্ঞাপন প্ৰকাশ কৰিছিলোঁ আৰু এই দিন আছিল ৰবিবাৰ ৰাতিপুৱা ৪ বজাৰ সময় আছিল।ফালহামদুলিল্লাহ আলা জালিকা-

ধনী,বিত্তশীল আৰু সমাজৰ উচ্চস্তৰৰ ক্ষমতাশীলসকলৰ নিকট আবেদন

পৰম কৰুণাময় পৰম দানশীল,আল্লাহৰ নামত

হে ইছলামৰ নেতৃবৃন্দসকল! আল্লাহ আপোনালোকৰ হৃদয়ক অন্যৰ তুলনাত অধিক কোমল কৰি দিয়ক,আৰু এই অলপ সময়ত আপোনালোকক নিজৰ প্ৰিয় দ্বীনৰ সঠিক সেৱাকাৰী বনাই দিয়ক। মই এই সময় মাথোন আল্লাহৰ খাতিৰত বিশেষ কাৰ্য্যৰ সংবাদ প্ৰদান কৰো যে মোক খোদা তা'লা এই চৌধশ শতাব্দীৰ আৰম্ভণীত নিজৰ ফালৰ পৰা নিযুক্ত কৰি ইছলামক সঞ্জীৱিত আৰু সহায়ৰ বাবে প্ৰেৰণ কৰিছে যাতে মই এই অন্ধকাৰ যুগত কোৰাণৰ গুণাৱলী আৰু হজৰত ৰছুলে কৰিম (ছাঃ)ৰ মৰ্যাদা প্ৰকাশ কৰো আৰু সেই সকলোবিলাক শত্ৰুক যিসকলে ইছলামৰ ওপৰত আক্ৰমণ কৰি আছে সেই জ্যোতি,কল্যাণ,অসাধাৰণ আৰু জ্ঞানৰ সহায়ত উত্তৰ দিব পাৰো যি মোক প্ৰদান কৰা হৈছে। অৰ্থাৎ এই কাম ধাৰাবাহিক

দহ বছৰৰ পৰা হৈ আছে,কিন্তু সেইসমূহ প্ৰয়োজনীয়তা যি আমাক ইছলাম বিস্তাৰৰ বাবে হৈছে তাৰ বাবে আৰ্থিক সহায়ৰ প্ৰয়োজন হৈ পৰিছে এই কাৰণে মই এয়া আৱশ্যক বুলি ভাৱিছো যে প্ৰচাৰৰ মাধ্যমে আপোনালোকক সংবাদ দিব খোজো । গতিকে শুনা হে নেতৃবৰ্গসকল! আমাৰ কাৰণে আল্লাহ তা'লা আৰু ৰছুলুল্লাহ (ছাঃ)ৰ বাটত এই অসুবিধাৰ সন্মুখীন হৈছে,গতিকে এই সহায়ৰ বাবে যি লাখ লাখ মানুহৰ মাজত বিয়পা উচিত বহু বিনিয়োগ প্ৰয়োজন হৈ পৰিছে আৰু এতিয়া এই পদ্ধতি যে পোনপ্ৰথম সেই ডাঙৰ ডাঙৰ উদ্দেশ্যৰ বাবে একো বিনিয়োগৰ ব্যৱস্থা হোৱা নাই আৰু যদি কিছুমান "পুৰ জোশ মৰদানে দ্বীন" (ধৰ্মৰ খাতিৰত উৎসাহিত পুৰুষ)* ধৰ্মৰ খাতিৰত সহায় আগবঢ়ায় কোনো কিতাপ প্ৰকাশ কৰে তেতিয়া এই অৱহেলা যুগত তাৰ ফালে ধ্যান কম হোৱাত এই কিতাপ কিছু প্ৰণালীৰ বাহিৰে বেছি ক্ৰয় নহয় আৰু বেছিৰ ভাগ প্ৰণালী বছৰ বছৰ বাকচৰ ভিতৰত বন্ধ থাকি যায় বা আল্লাহৰ কাৰণে বিনামূল্যত বিতৰণ কৰা হয় আৰু ধৰ্ম প্ৰচাৰৰ কাৰণে কৰা হয়।অৰ্থাৎ খোদা তা'লা এই জমাত দিনক দিনে বৃদ্ধি কৰি আছে,কিন্তু এতিয়ালৈকে এনেকুৱা সম্পত্তিবান আমাৰ মাজত নাই যিজনে ইছলামৰ সেৱা আগবঢ়োৱাৰ বাবে এই কাম নিজৰ জিম্মাত লৈ ল'ব,কাৰণ এই অধম খোদা তা'লাৰ ফালৰ পৰা নিযুক্ত হৈ ধৰ্মক সঞ্জীৱিত কৰাৰ কাৰণে আহিছে। আৰু মোক আল্লাহ তা'লা এই সু-সংবাদ প্ৰদান কৰিছে যে সেইজনা কিছুমান ধনী মানুহ আৰু ৰাষ্ট্ৰক আমাৰ জমাতত অন্তৰ্ভুক্ত কৰিব।আৰু মোকে খোদা তা'লাই কৈছে যে মই তোমাক কল্যাণৰ ওপৰত কল্যাণ দিম বৰঞ্চ বাদশাহ তোমাৰ কাপোৰৰ পৰা বৰকত (কল্যাণ) বিচাৰিব।ইয়াৰ পৰা মোৰ ধাৰণা হয় যে মই সম্পত্তিবান আৰু সামৰ্থবানক নিজৰ কামৰ সহায়ৰ কাৰণে গতি কৰো।

কাৰণ এয়া ধৰ্মীয় সহায়ৰ বাবে এক মৰ্যাদাশীল কাম হয়,মানুহ নিজৰ সন্দেহ ,শংকাৰ পৰা আঁতৰত নহয় আৰু চিনাক্ত অবিহনে সেই সত্য সৃষ্টি হ'ব নোৱাৰে যাৰ দ্বাৰা বিশাল পৰিমাণৰ সহায়ৰ উৎসা সৃষ্টি হ'ব পাৰে।এই কাৰণে মই সকলো ধনীসকলক সন্মুখীন হৈ ঘোষণা কৰি লিখো যে যদি সিহঁতক পৰীক্ষা অবিহনে এনেকুৱা সহযোগীতাত পৰিপূৰ্ণ হয় তেতিয়া সিহঁতে সিহঁতৰ কিছুমান উদ্দেশ্য আৰু শংকা আৰু অসুবিধাক এই উদ্দেশ্যে মোলৈ লিখি প্ৰেৰণ কৰক যাতে মই সেই উদ্দেশ্য পূৰণ হোৱাৰ বাবে দোৱা কৰিব পাৰো।কিন্তু এই কথা বিস্তাৰিত ভাৱে

লিখি প্ৰেৰণ কৰিব যে তেওঁ নিজৰ উদ্দেশ্য পূৰ্ণ হোৱাৰ সময়ত কিমাণ পৰিমাণে আমাক ইছলামৰ সহায়ৰ বাবে আৰ্থিক সহায় কৰিব। সিহঁতে নিজৰ হৃদয় শক্তিশালী আৰু দৃঢ় প্ৰতিজ্ঞা কৰিছে যে নিশ্চিত ভাৱে তেওঁ ইমান পৰিমাণৰ আৰ্থিক সহায় আগবঢ়াব। যদি এনেকুৱা চিঠি *কোনো চাহাবৰ পৰা মোলৈ আহে তেতিয়া মই তেওঁৰ কাৰণে দোৱা কৰিম আৰু মই বিশ্বাস ৰাখো চৰ্ত এয়া যে তকদিৰে মুবাৰম (স্থিতিশীল ভাগ্য নহয়) নহয় তেতিয়া খোদা তা'লা মোৰ দোৱা নিশ্চয় শ্ৰৱণ কৰিব আৰু মোক ঐশী বাণীৰ দ্বাৰা সংবাদ প্ৰেৰণ কৰিব।এই কথাৰ পৰা নিৰাশাবোধ নহ'ব যে আমাৰ উদ্দেশ্য বৰ অসুবিধাশালী,কাৰণ খোদা তা'লা সৰ্বশক্তি চৰ্ত এয়া যে অনন্তকাল তাৰ পৰিপন্থী নহয়। আৰু যদিওবা এনেকুৱা ব্যক্তিসকলৰ বহু পৰিমাণে দৰখস্থ আহে তেতিয়া সিহঁতক প্ৰতিবেদন কৰি দিয়া হ'ব। খোদাৰ প্ৰতি বিশ্বাস নথকা সকলৰ সম্পৰ্কে খোদা তা'লাৰ ফালৰ পৰা সু-সংবাদ কৰি দিয়া হ'ব।যদিওবা এই কাৰ্যকলাপ অস্বীকাৰকাৰীসকলৰ বাবে নিদৰ্শনও হয় সম্ভৱত এই নিদৰ্শন বিশাল পৰিমাণে হয় যে নদীৰ নিচিনা বৈ যাব ধৰে। অৱশেষত মই সকলো মুছলমানসকলৰ উপদেশ দিও যে ইছলামৰ কাৰণে জাগ্ৰত হোৱা যে ইছলাম কঠিন সমস্যাত পৰিছে সিহঁতৰ সহায় কৰা।এতিয়া ইহঁত দুখীয়া আৰু মই এই কাৰণেই প্ৰেৰণ হৈছো যে মোক খোদা তা'লাই কোৰাণৰ জ্ঞান অৰ্জিত কৰিছে আৰু মোৰ পুস্তকৰ সঠিক জ্ঞান আৰু সুপৰিচিত মোৰ ওপৰত মুকলি কৰিছে। আৰু অদ্ভুত জ্ঞান মোক প্ৰদান কৰা হৈছে,গতিকে মোৰ ফালে আহা এই অনুগ্ৰহৰ তুমি ভাগীদাৰী হোৱা।মই শপত খাও সেইজনাৰ যিজনাৰ অধীনত মোৰ প্ৰাণ আছে, মই খোদা তা'লাৰ পৰা প্ৰেৰণ হৈছো কিয় এয়া প্ৰয়োজন নাছিলনে যে এনেকুৱা মহান ফাছাদ শতাব্দীৰ মূৰত প্ৰকাশ্য ভাৱে বিপদ হয়,তেতিয়া এজন সংস্কাৰক মুকলি দাবীৰ সৈতে আহে,একেবাৰে কম সময়তে মোৰ কামৰ দ্বাৰা মোক চিনাক্ত

* "পুৰ জোশ মৰদানে দ্বীন"ৰ অৰ্থ এই স্থানত হজৰত মৌলৱী হাকিম নুৰউদ্দিন চাহাব ভেৰৰি হয় যিজনে নিজৰ সকলোবোৰ সম্পত্তি এই বাটত (খোদা তা'লাৰ বাটত) কুৰবাণ কৰে।ইয়াৰ বাহিৰ মোৰ অন্তৰঙ্গ বন্ধু হাকিম ফজল উদ্দিন চাহাব আৰু নৱাব মহম্মদ আলী খালিদ চাহাব কোটলা মালিৰ আৰু শ্ৰেণী অনুযায়ী সেই বন্ধুসকল যিসকলে এই ৰাস্তাত উচৰ্গা হৈ আছে।

কৰিব। প্ৰত্যেক সেইজন যিজন খোদা তা'লাৰ ফালৰ পৰা প্ৰেৰণ হৈছিল সেই সময়ৰ আলিমসকলে বুজিব পৰা নাই।সিহঁতৰ ৰাস্তাত বাধা জন্মিছে অৱশেষত

যেতিয়া সিহঁতৰ কামৰ দ্বাৰা সিহঁত চিনাক্ত হৈছে,আৰু টেঙা গছ মিঠা ফল আনিব নোৱাৰে,আৰু খোদা তা'লা অন্যক সেই কল্যাণ সাধিত কৰিব নোৱাৰে যি বিশেষ বিশেষ সকলক প্ৰদান কৰা হয়।হে মানৱ! ইছলাম একেবাৰে দুৰ্বল হৈ পৰিছে আৰু ধৰ্মৰ শত্ৰু চাৰিওফালৰ পৰা ঘেৰাও কৰিছে আৰু তিনি হাজাৰৰ অধিক আপত্তি একত্ৰিত হৈছে এনেকুৱা সময়ত সহনশীলতাৰ সৈতে নিজৰ ঈমান দেখুওৱাক আৰু শক্তিশালী খোদাৰ চৰণত স্থান লওঁক। ওৱাছছালাম আলা মানিত্তাবাআলা হুদা-

*এয়া কৰা উচিত যে চিঠি বৰ সাৱধানতাৰে ৰেজিষ্ট্ৰাৰ কৰি মোহৰৰ সৈতে আহে আৰু এই ৰহস্যক সঠিক সময়ৰ আগতে প্ৰকাশ কৰা নহয় আৰু এই স্থানত সম্পূৰ্ণ বিশ্বস্তাৰ সৈতে সেই ৰহস্যক গুপ্ত ৰখা হ'ব আৰু যদি কোনো নিৰ্ভৰযোগ্য আমিৰৰ পত্ৰ আহে তেন্তে এই কাম আৰু বেছি প্ৰভাৱশালী হ'ব।

بیکسے شد دین احمدؐ ہیچ خویش و یار نیست — ہر کسے در کار خود بادین احمدؐ کار نیست
ہر طرف سیلِ ضلالت صد ہزاران تن ربود — حیف بر چشمے کہ اکنون نیز ہم ہشیار نیست
اے خداوندانِ نعمت ایں چنیں غفلت چراست — بیخود از خوابید یا خود بختِ دین بیدار نیست
اے مسلمانان خدا را یک نظر برحالِ دین — آنچہ می بینم بلاہا حاجت اظہار نیست
آتش افتاد است در رختش بخیزید اے یلان — دیدنش از دور کارِ مردمِ دیندار نیست
ہر زمان از بہرِ دین در خون دلِ من می تپد — محرمِ این درد ماجز عالمِ اسرار نیست
آنچہ برما می رود از غم کہ داند جز خدا — زہر می نوشیم لیکن زہرۂ گفتار نیست
ہر کسے غمخواری اہل و اقارب می کند — اے دریغ این بیکسی را ہیچ کس غمخوار نیست
خونِ دین بینم روان چون کشتگانِ کربلا — اے عجب ایں مردمان را مہر آن دلدار نیست
حیرتم آید چو بینم بذل شان در کار نفس — کاین ہمہ جود و سخاوت در رہِ دادار نیست
اے کہ داری مقدرت ہم عزم تائیداتِ دیں — لطف کن مارا نظر براندک و بسیار نیست
بین کہ چون در خاک می غلطد ز جورِ ناکساں — آنکہ مثل او بزیر گنبدِ دوّار نیست
اندرین وقتِ مصیبت چارۂ ما بیکساں — جز دعاء بامداد و گریہ اسحار نیست
اے خدا ہر گز مکن شاد آن دلِ تاریک را — آنکہ او را فکر دین احمدؐ مختار نیست
اے برادر پنج روز ایام عشرت ہا بود — دائماً عیش و بہار گلشن و گلزار نیست

মির্জা গোলাম আহমদ কাদিয়ানী

আইনায়ে কামালাত ইছলাম.....

এই সময়ত এখন কিতাপ আইনাত কামালাতে ইছলামে প্ৰকাশ কৰা হৈছে, য'ত প্ৰমাণিত হোৱাৰ পিছত ইছলাম আৰু কোৰাণ কৰিমৰ গুণাগুণ আৰু মৰ্যদা বৰ্ণনা কৰা হৈছে। আৰু ইয়াৰ বাহিৰে ধৰ্মৰ বিৰোধীতাসকলৰ ভুল আকিদা (বিশ্বাস)সমাপ্ত কৰিছে আৰু ফিৰকা নেচৰিয়াৰ ভুল ধাৰণাক ভালদৰে অৰ্জন কৰিছে। মুঠ পৃষ্ঠা ইয়াৰ ৬৫০ পৃষ্ঠাতকৈ অধিক মূল্য দুই টকা হয়।টেক্স ইয়াৰ বাহিৰে আৰু ইয়াৰ বাহিৰে বিস্তাৰিত পুস্তকও আছে।

ফাতাহ ইছলাম,তৌজিহ মৰাম,ইজালা আওহাম টেক্সৰ বাহিৰে হয়। ফাতাহ ইছলাম আৰু তৌজিহ মৰামৰ মূল্য আঠ আঠ আনা আছিল এতিয়া আমি চাৰি আমা কম কৰি দিছো।

মির্জা গোলাম আহমদ কাদিয়ানী
জিলা গুৰদাছপুৰ ,পঞ্জাৱ